চান্দমামা

নভেমবাৰ ১৯৯২





চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পোলিঅ'প্লাছ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পাৰ্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলছ**	সৰু আই	এবাৰ মাথোন
জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণ-কৈ দিব লাগিব।			

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

চান্দমামা

*

নভেম্বৰ ১৯৯২

এই * আছে

সংখ্যাত

*

ভাৰতৰ নতুন ৰাষ্ট্ৰপতি	:	৯
ঘৰ-দেৰতি	:	১১
আজোককা	:	১৬
মায়া মহল	:	১৭
দূৰৰ বৌ-বৰালি	:	২৪
চাতুৰ্য্য-জ্ঞান	:	২৫
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
ধৰি অনা বান্দৰ	:	৩৭
সম্বাদ-বি-সম্বাদ	:	৪১
কানীয়া-কীৰ্তন	:	৪২
বীৰ হনুমান	:	৪৫
বিচিত্ৰ ঘটনা	:	৫৩
ইমানদাৰী	:	৫৯
বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

MAGGI CLUBBERS
FUN LOVERS
MAGGI
CLUB
'মেগী স্কাই ব্ৰেকাৰ' ডাবৰ চেৰাই উৰা মাৰা।
'মেগী জিগ্‌ছ' পাজ্‌ল'-ৰে মেগীৰ ৰোমাঞ্চক জগত জয় কৰা।
'মেগী এ'ড্ এডভেন্সাৰ' সৈমত সাগৰৰ পৰা আকাশলৈ যোৱাৰ ৰোমাঞ্চ অনুভৱ কৰা।
'মেগী হু-ডান-ইট' ৰহস্যময় গেম
অকণ-অকণিহঁতৰ বাবে ৰোমাঞ্চক আকৰ্ষণ!
মেগী ক্লাবে বিনামূল্যে উপহাৰ বিলাইছে!
'মেগী বেইজিং অৱ দ্য ৰেড ষ্টাৰ' সৈমত অজান মুলুকৰ ধূৰ্ত সকলৰ লগত সমানে যেৰ মাৰা।
অকণ অকণিহঁত আহাঁ! মেগী ক্লাবত যোগ দিয়া আৰু প্ৰৱেশ কৰা মেগীৰ ৰোমাঞ্চক জগতখনত!
তোমালোকে কেৱল এই চিহ্নটো মেগী নুডল্‌ছৰ ৫ টকীয়া খালি পেকেটৰ সন্মুখ ফালৰ পৰা কাটি উলিওৱা আৰু নিজৰ পচন্দৰ প্ৰতিটো বিনামূলীয়া উপহাৰ পাবৰ বাবে আমালৈ পঠাই দিয়া। তোমালোকে ৬-৮ সপ্তাহৰ ভিতৰতে মেগী ক্লাবৰ পৰা পাবা মনোমোহা উপহাৰ। কি উপহাৰ লাগে সেই কথাৰ লগতে নিজৰ নাম, ঠিকনা আৰু জন্মৰ তাৰিখ জনাবলৈ নাপাহৰিবা। তোমালোকৰ মাজৰ মেগী ক্লাব সদস্য সকলে সদস্য নম্বৰো জনাবা।
এতিয়াও সদস্য নোহোৱা সকলে এইটো সুযোগ নেহেৰুৱাবা। ওপৰত উল্লেখ কৰা মতে বিতং বিৱৰণবোৰ পঠাওতে সদস্যতা কাৰ্ড বিচাৰি লিখিবা।
আমি উপহাৰৰ লগতে বিনামূলীয়াকৈ মেগী ক্লাব সদস্যতা কাৰ্ড পঠাই দিম!
আমাৰ ঠিকনা:
MAGGI CLUB
P.O. Box 5788 New Delhi-110 055
বিনামূল্যে মেগী 'ৱৰ্ল্ড অৱ এনিমেলছ' কুইজ পুস্তিকা।
তোমালোকে গোটেইবোৰা প্ৰতি ২ টকীয়া উপহাৰৰ বাবদ পাবা মেগী 'ৱৰ্ল্ড অৱ এনিমেলছ' কুইজ পুস্তিকা — বিনামূল্যে।
MAGGI
2-minute noodles

GET OFF TO A FLYING START *with*

LION
PREMIER® HB PENCILS

Supersmooth for effortless writing. Micronized lead for unbreakable points. Grace the desks of executives and others with style.

LION
PINKY® PENCILS

Perfect classmates. Pretty & Practical. Colourful designs, strongly bonded lead for unbreakable points, give it an edge over the competition.

LION **Gee-flo®** BALLPENS
035 carbine 050 carborite

Tungsten carbide tips.
Made with Swiss technology.
Unbeatable points. Sharp. Smooth. Non-smudging. Race across the page. Choice of red, black and blue refills. Mini-marvels at a marvellous price.

LION PENCILS LTD.
95, Parijat Marine Drive, Bombay 400 002.

BENSON&HEDGES WORLD CUP 1992

OFFICIAL LICENSEE OF THE WORLD CUP

National-766

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

যিফালে ঈশ্বৰ নাই

এই ভাৰতৰ ধৰ্মাত্মা এগৰাকীয়ে ইদেশ সিদেশ বহুদেশ ভ্ৰমি শেহান্তৰত দূৰ-সুদূৰ আৰবৰ মৰুভূমি অতিক্ৰমি মুছলমান ভক্ত-সকলৰ মহাতীৰ্থ মক্কা পালেগৈ ঈশ্বৰৰ সান্নিধ্য বিচাৰি। তাত এদিন এই ধৰ্মাত্মাগৰাকীয়ে মছজিদৰ ফালে ভৰি দি শুই থকাত মোল্লা অৰ্থাৎ মুছলমান শিক্ষক তথা পুৰোহিত এগৰাকীয়ে অতিপাত ক্ৰুদ্ধ হৈ ভাৰতীয় ধৰ্মাত্মাগৰাকীক ডাবি মাৰি ক'লে, "কোনহে তুমি আল্লাহ-তাল্লাহৰ পিনে ভৰি দি শুই আছা?" ভাৰতীয় ধৰ্মাত্মা-গৰাকীয়ে বিনম্ৰ কণ্ঠেৰে মোল্লাগৰাকীক ক'লে, "ভাই ছাহাব, খং কৰাৰ কিনো আৱশ্যক? আল্লাহ-তাল্লাহ যিপিনে নাই—মোৰ ভৰি দুখন সেই পোনে কৰি দিলেই হয় দেখোন।" এই কথাশুনি মোল্লা ছাহাব নিৰ্বাক হৈ পৰিলৰ।

এইগৰাকী ভাৰতীয় ধৰ্মাত্মা আছিল শিখ্‌ গুৰু নানক। মহাত্মা শংকাৰাচাৰ্য্যতকৈ ২০ বছৰৰ পাছত শ্ৰীচৈতন্যদেৱতাক ২০ বছৰৰ আগত আৰু অসমৰ বৈষ্ণৱধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শঙ্কৰদেৱতকৈ ১১ বছৰৰ পাছত ১৪৬০ খৃষ্টাব্দৰ ১০ নভেমবাৰৰ দিনা এইগৰাকী ধৰ্মাত্মা মহাপুৰুষ বৰ্তমান পাকিস্তানস্থিত লাহোৰ নগৰৰ পাঁচ ক্ৰোশ দক্ষিণৰ তালবণ্ডী (বৰ্তমানৰ 'নানকানা') গাঁৱত জন্মগ্ৰহণ কৰিছিল। এইগৰাকী মহাপুৰুষৰ ধৰ্মমতত হিন্দু-মুছলমান ভেদ নাই। ১৫৩৯ খৃষ্টাব্দত এইগৰাকী ধৰ্মাত্মাই ইহলীলা সামৰিছিল।

বছৰ : ১৭   নভেমবাৰ ১৯৯২   সংখ্যা : ৮

খনে ৪'০০ টকা :: বছৰেকীয়া বৰঙণি ৪৮'০০ টকা

CHITRA

সকলোৰে আহাছোন কেম্পকো-ৰ গাবলৈ গুণ!

“গাখীৰৰ গুণে ভৰা, পুষ্টিও আছে ওপচি, সেয়ে যাঁও খাবলৈ সকলো নেওচি।

এনে এটা চকোলেট - আছেনো সকলো যত, কেম্পকো ক্ৰীমি মিল্ক চকোলেট।”

ভাৰতৰ এটাইতকৈ ডাঙৰ, সবাতোকৈ আধুনিক প্লাণ্টত তৈৰি।
কেম্পকো লিমিটেড, মাঙ্গালোৰ·

R K SWAMY/BBDO CL 10117 AS

ভাৰতৰ নতুন ৰাষ্ট্ৰপতি





বিগত ২৫ জুলাইৰ দিনা ড° শংকৰদয়াল শৰ্মা ভাৰতৰ নতুন তথা নৱম ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ'ল। এই নিৰ্বাচন লোকসভা আৰু ৰাজ্যসভাৰ সম্মিলিত সদস্যসকলৰ দ্বাৰা অনুষ্ঠিত হৈছিল। এইবাৰৰ ৰাষ্ট্ৰপতিক দলমতনিৰ্বিশেষে সৰ্ব-সন্মতভাৱে নিৰ্বাচিত কৰাৰ প্ৰচেষ্টা শাসকদলে আৰু লগতে বিপক্ষীয় দলবোৰে ভালেমানে কৰিছিল, কিন্তু শেহান্তৰত সেই সুন্দৰ প্ৰচেষ্টা সফল নহ'ল। বিপক্ষীয় দলসমূহৰ কিছুমানৰ সদস্যৰ ইচ্ছানুসাৰে অধ্যাপক জি. জি. ছোৱেল ড° শৰ্মাৰ প্ৰতিদ্বন্দ্বী ৰূপে নিৰ্বাচনত অংশগ্ৰহণ কৰিছিল। কিন্তু সকলোটিয়ে আগতীয়াকৈ ধাৰণা কৰা মতে ডক্টৰ শৰ্মায়েই বিজয়ী হৈছিল।

ড° শংকৰদয়াল শৰ্মা মধ্যপ্ৰদেশৰ ভোপালত ১৯১৮ চনত জন্মগ্ৰহণ কৰিছিল আৰু তাতেই তেওঁ তেওঁৰ প্ৰাথমিক বিদ্যাশিক্ষা গ্ৰহণ কৰিছিল। তাৰ পাছত, ১৯৩৯ চনত এওঁ ইংল্যাণ্ডৰ কেম্ব্ৰিজবিশ্ববিদ্যালয়ত ইংৰাজি তথা ন্যায়শাস্ত্ৰত এম. এ. উপাধি আৰ্জিছিল আৰু পাছত ইংল্যাণ্ডৰপৰা উলটি লখনৌ বিশ্ববিদ্যালয়ৰ ন্যায়শাস্ত্ৰ বিভাগত যোগদান কৰিছিল। দুবছৰৰ

অন্তত তেওঁ পুনৰ ইংলাণ্ডলৈ গৈ তাত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত অধ্যাপকৰূপে যোগদান কৰিছিলগৈ আৰু তেতিয়া তাতেই সাংবিধানিক বিধিশাস্ত্ৰত (Constitutional Law) ডক্টৰেট আৰ্জিছিল। তেওঁ তাত 'বাৰ'ৰো সন্মানিত সদস্যৰূপে নিৰ্বাচিত হৈছিল।

তাৰ পাছত ভাৰতলৈ উভতি আহি তেওঁ বাৰিস্টাৰূপে কাৰ্য্যাৰম্ভ কৰিলে। কিন্তু আগতেই ৰাজনীতিৰ প্ৰতি আকৰ্ষণ বোধ থকাহেতুকে তেওঁ ভাৰতৰ জাতীয় কংগ্ৰেছত যোগদান কৰি কিছুদিনৰ পাছত ভোপাল প্ৰদেশ কংগ্ৰেছ কমিটিৰ অধ্যক্ষৰ পদ গ্ৰহণ কৰি পাছত ১৯৫২ ৰপৰা ১৯৫৬ চনলৈকে ভোপাল ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ পদ অলংকৃত কৰিছিল আৰু অতি যোগ্যতাৰে সৈতে ৰাজ্যৰ কৰ্ণধাৰৰ দায়িত্ব কঢ়িয়াইছিল।

ডঃ শংকৰদয়াল শৰ্মাই বৃটিছৰ দিনৰ 'ক্যুইট ইণ্ডিয়া' আন্দোলনতো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল আৰু তেওঁ কেইবাবাৰো কঠিন কাৰাগাৰৰ অন্তৰাললৈ নিক্ষিপ্ত হৈছিল।

তাৰ পাছত তেওঁ কংগ্ৰেছ ওৱাৰ্কিং কমিটিৰ অন্যতম সদস্য হোৱাৰ উপৰিও তেতিয়াৰ কংগ্ৰেছ দলৰ প্ৰধান সচিবৰ পদ অলংকৃত কৰিছিল আৰু সুদক্ষতাৰে দলক চলাই নিজৰ শাসকীয় যোগ্যতাক তথা কুশলতাক দাঙি ধৰিছিল।

১৯৭১ চনত ইন্দিৰা-মন্ত্ৰিসভাত তেওঁ আছিল অন্যতম মন্ত্ৰী। ১৯৮০ চনত তেওঁ পুনঃ নিৰ্বাচিত হৈছিল. কিন্তু '৯৮৪ চনত নিৰ্বাচনৰপৰা আঁতৰি আছিল। তথাপি, এওঁক তেতিয়া ভাৰতৰ উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি ৰূপে অধিষ্ঠিত কৰা হৈছিল আৰু উপৰাষ্ট্ৰপতিৰূপেও তেওঁ তেওঁৰ অপাৰ যোগ্যতাৰ আহি সুন্দৰ ভাবে দাঙি ধৰিছিল।

ডঃ শংকৰদয়াল শৰ্মাৰ প্ৰকৃত পৰিচয় হ'ল এয়ে যে—তেওঁ এগৰাকী বিদ্যানুৰাগী হিচাপে ডক্টৰ ৰাধাকৃষ্ণণ, ডঃ জাকীৰ হুছেইন প্ৰমুখৰ সমতুল।

ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈয়েই ডঃ শংকৰদয়াল শৰ্মাদেৱে কৈছিল :

'দেশৰ জনসাধাৰণৰ উজ্জ্বল তথা গৌৰৱময় ঐতিহ্যবাহী ভৱিষ্যতৰ বাবে মই যেন মোৰ যথোচিত কৰ্তব্য তথা দায়িত্ব পালনত সক্ষম হওঁ—মই যেন তাৰ যোগ্য হওঁ—কৰুণাময় ঈশ্বৰৰ ওচৰলৈ এয়ে মোৰ একান্ত প্ৰাৰ্থনা।'

আমাৰ নতুন ৰাষ্ট্ৰপতিৰ অন্তৰৰ এই শুভ কামনালৈ আমাৰ সমগ্ৰ দেশবাসীৰ অকুণ্ঠ সমৰ্থনৰ সৈতে চান্দামামায়ো শুভেচ্ছা জ্ঞাপন কৰিছে।



ঘৰ-দেৱতি

জগৎপুৰ গাঁৱৰ শিৱৰাম হ'ল এজন অতি দীন-দৰিদ্ৰ অৱস্থাৰ কৃষক। কিন্তু দৰিদ্ৰ হ'লে কি হ'ব—অন্যফালে শিৱৰামৰ অদৃষ্ট ভালেই বুলিব লাগিব। শিৱৰামৰ ঘৈণীয়েক পাৰ্বতীজনী আছিল যথেষ্ট শিক্ষিতমনা মহিলা আৰু পুত্ৰ অভিৰামও আছিল অতি সৎ ল'ৰা।

যি কি নহওক, অভিৰামে জগৎপুৰৰ পাঠশালাতে তাৰ প্ৰাথমিক পাঠ সাং কৰিলে। আৰু—তাৰ পাছত শিৱৰাম-পাৰ্বতীয়ে তাক চহৰত থৈ উচ্চশিক্ষা দিবলৈ মন মেলিলে।

কিন্তু মন হ'লেই যেইকোনো ছন কৰিব তো নোৱাৰি। অভিৰামও তেতিয়া ভাবিব-চিন্তিব পৰা হৈছে। —সি গাঁৱৰ ঘৰতে থাকি খেতি-খোলাতে দেউতাকক সহায় কৰাৰ কথা মনে-চিতে ভাবিলে।

কিন্তু শিৱৰামে তেনেকুৱা হ'বলৈ নিদিলে। মাটি এটুকুৱা বন্ধকত থৈ—টকা ধাৰলৈ লৈ—শিৱৰামে পুত্ৰ অভিৰামক উচ্চ শিক্ষাৰ বাবে চহৰলৈ পঠালে।

চহৰীয়া-শিক্ষাৰো এদিন অন্ত পৰিল। তেতিয়া অভিৰামে চহৰতে কিবা ভাল কাম-বন অৰ্থাৎ চাকৰি বিচাৰি থাকিল। আৰু—এইদৰে চাকৰি বিচাৰি থাকোঁতেই এদিন অভিৰাম ধনৰাজ নামৰ লোক এজনৰ সৈতে চিনাকি হৈ পৰিল।

ধনৰাজৰ আছিল অপাৰ ধন, আৰু আছিল একেজনী মাত্ৰ ছোৱালী—দীপালি। দীপালিৰ কাৰণে ধনৰাজে পঢ়া-লিখা জনা অথচ নম্ৰ-ভদ্ৰ স্বভাৱৰ ডেকা এজন বিচাৰি আছিল। ছোৱালীক ঘৰ

নিৰ্মলা দিহিঙীয়া



পাতি দি অৱশ্যে ধনৰাজে তাইৰ নিজা ঘৰলৈ নপঠাব, নিজৰ ঘৰতে ঘৰ-জোঁৱাই হিচাপে ৰাখিব—এয়ে মন।

চাই চিঁতি মকৰা হিচাপ কৰি কৰি ধনৰাজে এদিন অভিৰামক ভাত খাবলৈ নিমন্ত্ৰণ কৰিলে আৰু ইকথা-সিকথাৰ মাজত মনৰ কথাটো অভিৰামক ক'লে।

অভিৰামে কৈ উঠিল, "আপুনি ধনী মানুহ, কিন্তু আমি অতি নিৰ্ধন—আমি প্ৰকৃততেই ধনৰ দুখীয়া।"

ধনৰাজে মৃদুকৈ হাঁহিৰে ক'লে, "ধনৰ কথা—ধনৰ দুখৰ কথা তুমি আৰু চিন্তা নকৰিলেও হ'ব, মাত্ৰ এটা কথা চিন্তা কৰি চাব লাগিব। দীপালিক বিয়া কৰাই আমাৰ ইয়াতেই থাকিব লাগিব।"

"ঘৰ-জোঁৱাই!" অভিৰামে প্ৰায় সাপে খোটাৰ দৰে হৈ কৈ উঠিল, "ক্ষমা কৰিব। জগতত সৰাতোকৈ আপোন মা-দেউতাই মোৰ ওপৰত আশা পালি ৰৈ আছে—মোৰ কাৰণে কিমান যে দুখৰ বোজা কঢ়িয়াইছে—তেওঁলোকক তেওঁলোকৰ বুঢ়া বয়সত এৰি মই সুখকে মিতিৰ বুলি আঁকোৱালি ল'ব নোৱাৰিম।"

ধনৰাজে মূৰ দুপিয়াই ক'লে, "তেওঁলোক আমাৰ লগতে থাকিব।"

কিন্তু তথাপি অভিৰামে এই বিষয়ে কোনো থাটাং সিদ্ধান্ত ল'ব নোৱাৰিলে। তেতিয়া ধনৰাজে অভিৰামক ক'লে, "ঠিক আছে। এই বিষয়ে ময়ে তোমাৰ মা-দেউতাৰাৰ সৈতে থাটাং কথা পাতিম। তেওঁলোকে যদি মোৰ প্ৰস্তাৱ মানি লয়—তুমি সন্মত বুলি ধৰি ল'মনে?"

ধনৰাজৰপৰা সকলোখিনি কথা নিৰহ-নিপানীকৈ শুনাৰ অন্তত অভিৰামৰ দেউতাকে অভিৰামক ক'লে, "বোপা, আমাৰ তিনিকাল গৈ একালত লাগিল। আমাৰ সুখৰ কাৰণে তোমাৰ ভৱিষ্যৎ নষ্ট—আমিও কৰিব নোৱাৰোঁ। তুমি 'হয়—' কৰি দিয়া। তোমাৰ ভৱিষ্যত-

জীৱনলৈ আমাৰ আশীৰ্বাদ থাকিল।"

তাৰ পাছত দীপালি আৰু অভিৰামৰ বিয়া হৈ গ'ল। বিয়াৰ পাছত এমাহ পাৰ হৈ গ'ল। তেতিয়া ধনৰাজে অভিৰামক ক'লে, "অভিৰাম, মই সহস্ৰবাৰ কোৱা সত্বেও তোমাৰ মা-দেউতাৰা আমাৰ ইয়ালৈ আহিবলৈ, বা ইয়াত থকা-মেলা কৰিবলৈ মান্তি নহ'ল। গতিকে—তেওঁলোকে যাতে পইচাৰ অভাৱত কষ্ট নাপায়, তাৰ কাৰণে মই তেওঁলোকলৈ এহেজাৰ মুদ্ৰা পঠাম বুলি ভাবিছোঁ।" এই বুলি কৈ, মুদ্ৰাৰ টোপোলা এটা ভৃত্য এজনৰ হাতত দি ধনৰাজে মুদ্ৰাৰ টোপোলাটো অভিৰামৰ দেউতাকক দি আহিবলৈ ক'লে।

শহুৰেক ধনৰাজৰ এনে উদাৰতালৈ চাই অভিৰাম প্ৰকৃততেই মুগ্ধ তথা কৃতজ্ঞ নহৈ নোৱাৰিলে।

এইদৰে—ঘৰজোঁৱাই হিচাপে থাকি অভিৰামৰ এদিন কিঞ্চিত আমনি লাগিল। ঠিক তেতিয়াই এদিন জগৎপুৰ গাঁৱৰে অভিৰামৰ সৰু কালৰ পৰম বন্ধু সুদাম অভিৰামৰ ওচৰলৈ আহিল। অভিৰামে বন্ধু সুদামৰ ওচৰত তাৰ বিবাহ-ঘটিত সকলো কথা খুলি-মেলি ক'লে।

সুদামে অভিৰামক ক'লে, "আন

যিয়েই যি নহওক—তুমি যে ঘৰ-জোঁৱাই হৈ থাকি পিতৃ-মাতৃৰ খবৰ নোলোৱা হ'লা--বৰ বেয়া পাইছোঁ।"

অভিৰামে দুখলগা মাতেৰে ক'লে, "মই এবাৰ গাঁৱলৈ বুলি ওলোৱাৰ কথা শুনিয়েই শহুৰদেউতাই আমাৰ দেউতালৈ এহেজাৰ মুদ্ৰা পঠাই দিলে। গতিকে—"

"এহেজাৰ মুদ্ৰা!" সুদামে চক খাই উঠি ক'লে, "ক'তা—তোমাৰ দেউতাৰাই তো কথাটো মোক নক'লে এবাৰলৈকো! ওহোঁ, কথাটোত—কিবা যেন বেয়া বেয়া গোন্ধাইছেহে।"

তাৰ পাছত অভিৰাম আৰু দীপালিয়ে



সেই ভৃত্যজনক যেতিয়া এনেহজাৰ মুদ্ৰা দি থৈ অহাৰ কথাটো সুধিলে, তেতিয়া জোলোঙাৰপৰা মেকুৰী ওলাই পৰিল। ভৃত্যজনে ক'লে যে—টকাখিনি দিয়াৰ অলপ সময় পাছত টকাৰ টোপোলাটো ধনৰাজে তাৰ হাতৰপৰা পুনৰ লৈ গৈছিল আৰু তাক অভিৰামহঁতৰ ঘৰলৈ যাবলৈকো মানা কৰিছিল।

শুনি দীপালিয়ে 'অভিৰামক ক'লে "আমাৰ দেউতা—ধনৰ কথাত বৰ কিৰ্পিণ। তেওঁৰ এই কিৰ্পিণালি তথা মিছালিক যে কেনেকৈ শুধৰাব পাৰি—আপুনিয়েই ভাবি উলিয়াওক কিবা এটা উপায়। মই অলপো বেয়া নাপাওঁ।"

বছ। পাছদিনাই দীপালিৰ টানৰো টান বেমাৰ হ'ল। তাই এখোজো দিব নোৱৰা হৈ পৰিল। ধনৰাজে বেজক মাতি আনিলেগৈ। বেজে দৰব-পাতিও দিলে। কিন্তু বেজৰ দৰবেৰে দীপালিৰ বেমাৰ সামান্যমানও ভাল নহ'ল।

জীয়েকৰ অৱস্থালৈ চাই ধনৰাজ দুশ্চিন্তিত হৈ উঠিল। তেতিয়া অভিৰামে ধনৰাজক ক'লে, "এই বেজে দীপাক ভাল কৰিব নোৱাৰিব যেন পাইছোঁ। আমাৰ গাঁৱৰ সুধাকৰ বৈদ্য হ'ল নামজলা বৈদ্য। তেওঁক—অৰ্থাৎ আমাৰ সুধাকৰ বৈদ্যক মাতি অনা যাওক।"

অভিৰামে সকলো কথা সুদামলৈ লিখি ধনৰাজৰ ভৃত্য এজনৰ হতুৱা পঠোৱাত সুদাম তৎক্ষণাৎ তালৈ আহিল আৰু আহিয়েই দীপালিক পৰীক্ষা কৰি ক'লে, "এই বেমাৰ কেৱল দৰবেৰে ভাল নহ'ব, বায়ু পৰিৱৰ্তনৰো আৱশ্যক হ'ব। অভিৰাম, তুমি এওঁক তোমালোকৰ গাঁৱৰ ঘৰলৈ লৈ নোযোৱা কিয়? তাত মুকলি বতৰত এওঁৰ বেমাৰ এনেয়ে ভাল হৈ যাব বুলি ভাবোঁ।"

সুধাকৰ বৈদ্য ৰূপী সুদামৰ কথা শুনি সিমান ভাল নোপোৱা সত্বেও এই

প্ৰস্তাৱত একপ্ৰকাৰে বাধ্যত পৰি ধনৰাজে সন্মতি দিলে আৰু লগে লগে অভিৰামে দীপালিক লগত লৈ সুধাকৰ বৈশ্যৰূপী সুদামৰে সৈতে গাঁৱলৈ বুলি খোজ ল'লে।

বোৱাৰীক পাই অভিৰামৰ মাক-দেউতাকে স্বৰ্গধনকে হাতেৰে ঢুকি পোৱা যেন পালে। দীপালিজনীয়ে এয়ে প্ৰথম-বাৰৰ বাবে অনুভৱ কৰিলে তাইৰ প্ৰকৃত ঘৰৰ সোৱাদ। বিয়া হৈ যোৱাৰ পাছত যে পিতৃগৃহ দৰাচলতে নিজ গৃহ নহয়, সেই কথাটো এতিয়াহে তাই মৰ্মে মৰ্মে উপলব্ধি কৰিলে।

এপষমানৰ অন্তত জীয়েকক চাবলৈ ধনৰাজ অভিৰামহঁতৰ ঘৰলৈ আহিল। তেতিয়া জীয়েক দীপালিয়ে দেউতাক ধনৰাজক ক'লে, "দেউতা, আমাৰ ধন-ধানৰ অভাৱ নাই। মোৰ সুখ-শান্তিহে আপোনাক লাগে। তেনেস্থলত—আপোনাক কিয়নো এজন ঘৰ-জোঁৱায়েৰ লাগিছে? সেই হৈ-চৈ হৈ থকা চহৰ-নগৰতকৈ ইয়াত—এই শান্ত গাঁৱতে মই অধিক শান্তি পাইছোঁ।"

মুহূৰ্তমান বৈ তাই পুনৰ তাইৰ দেউতাকক ক'লে, "বৰঞ্চ—মাকো ইয়ালৈ লৈ আহক, আৰু আপুনিও সেই হৈ-হুলস্থুলীয়া চহৰ এৰি প্ৰকৃতিৰ এই নিৰল-সুন্দৰ কোলাত—গাঁৱতে—আমাৰ লগতে জীৱনৰ বাকীছোৱা কাল কটাওকহি।"

ধনৰাজে তলমূৰ হৈ জীয়েকক ক'লে, "ধনৰ অহংকাৰতে মই তোমাৰ মনৰ খবৰ লোৱা নাছিলোঁ। আজি তোমাৰ মনৰ খবৰ পালোঁ, আৰু—এই সাৰ কথা জানিলোঁ যে—ঘৰ-দেৱতিয়ে বাধা দিলেও জগতৰ যিকোনো ছোৱালীকে নিজৰ ঘৰ লাগে। মই আশীৰ্বাদ কৰিছোঁ, তুমি ইয়াতে সুখে-শান্তিৰে থাকা। এয়ে হ'ল তোমাৰ প্ৰকৃত ঘৰ।"

এই বুলি কৈ ধনৰাজ গুচি গ'ল।



আজোককা

ৰাজকীয় সৈনিকৰ কাম একনিষ্ঠভাৱে কৰাৰ অন্তত জীৱনৰ শেষ কালছোৱা গাঁৱত শান্তিৰে কটাবলৈ চিপাহী জয়সিংহ গাঁৱৰ ঘৰলৈ আহিল। তাৰ পাছত কিছুদিনৰ অন্তত এদিন জয়সিংহ গ'ল ৰাজধানীলৈ। অ'ত ত'ত ঘূৰি-ফিৰি গৈ গৈ আওপুৰণি বস্তু-বেচা দোকান এখনলৈ গৈ এখন চিত্ৰ চাই তভক খাই ৰৈ দিলে। চিত্ৰখন আছিল—তৰোৱালধাৰী বিৰাট ওখ-পাখ এজন সৈন্য বা সেনাপতিৰ চিত্ৰ।

দোকানীয়ে জয়সিংহৰ মনৰ কথাৰ উমান লৈ ক'লে, "মহোদয়, ইখন হ'ল পাঁচ কি ছশ বছৰৰ আগৰ এগৰাকী সৈন্যৰ চিত্ৰ। এওঁৰ নাম নাজানো, কিন্তু—এওঁ কমেও এশ এক শত্ৰুক বধ নকৰাকৈ এই তৰোৱাল কদাপি খাপত নভৰাইছিল বুলি কোৱা হয়। আপুনি প্ৰকৃততেই চমৎকাৰ ব্যক্তি—সেইহে মোৰ দোকানত ইমানবোৰ বস্তু থকা সত্বেও এইখনেই আপোনাক আকৰ্ষণ কৰিছে। ঠিক আছে, লৈ যাওক, মই অতি সস্তাতে দিম আপোনাক। মাত্ৰ এশ মুদ্ৰা দিব। কিন্তু তাতকৈ কমে আৰু নহ'ব, দয়া কৰি নদৰাব।"

জয়সিংহই নিজৰ মুদ্ৰাখিনি গণ্তি কৰি চালে। নব্বৈটি মুদ্ৰাহে আছে। গতিকে—কোনো দৰ-দাম নকৰি জয়সিং গুচি গ'ল আন এজন অৱসৰপ্ৰাপ্ত সৈনিক খড়্গসিঙৰ ঘৰলৈ। গৈয়েই তাত সেইখন চিত্ৰ খড়্গসিঙৰ ঘৰৰ দেৱালত আঁৰা দেখা পাই জয়সিংহ পুনৰ তভক খাই ৰ'ল।

জয়সিঙৰ এই অৱস্থালৈ চাই খড়্গসিঙে ক'লে, "কিনো ইমাদ আচৰিত হৈ চাই আছাহে? এওঁ হ'ল আমাৰ আজোককা। এওঁ তেতিয়া ৰুদ্ৰপুৰী ৰাজ্যৰ এক মহান সৈনিক আছিল আৰু যুদ্ধকালত গাজৰ-মূলাৰ দৰে শত্ৰুসৈন্যক কাটি খান্তাং কৰিছিল।"

জয়সিঙে দীঘলকৈ হুমুনিয়াহ কাঢ়ি ক'লে, "মোৰ ওচৰত তেতিয়া আৰু কি বোলেনে মাত্ৰ দহটা মুদ্ৰা থকাইতেন এওঁ নিশ্চয়কৈ মোৰেই আজোককা হ'লহেঁতেন!"

মায়া মহল

৬

[বীৰগিৰি ৰাজ্যৰ ৰাজকুঁৱৰী বিদ্যাৱতীক তেওঁৰ সাৰস সৰোবৰৰ বিশ্ৰাম-গৃহৰপৰা অপহৰণ কৰা হ'ল। অপহৰণকাৰিণীয়ে ৰাজকুঁৱৰীক মায়া মহল নামৰ এক বিশাল অট্টালিকালৈ লৈ গ'ল আৰু নেই অটব্য অৰণ্যৰ মাজত সৰু সৰু পাহাৰ-পৰিবেষ্টিত মায়া মহলত সহস্ৰ সুখ-সুবিধাৰ মাজত বন্দী কৰি থৈ গ'ল। ইপিনে—ৰাজকুঁৱাৰী বিদ্যাৱতীক বিচাৰি উলিয়াবলৈ মহেন্দ্ৰনাথ নামৰ যুৱক এজন ৰাজানুমতি লৈ ওলাল। সিপিনে বিভ্ৰান্ত-বিস্মিত ৰাজকুঁৱৰীয়ে মায়া মহলত সহস্ৰ সুখৰ মাজত থাকিও অস্বস্তিৰে দিন যাপিবলৈ ধৰিলে। তাৰ পাছত......]

দেখাত ৰজাৰ লিগিৰী কমলাৰ দৰে সেই অপহৰণকাৰিণী বুঢ়ী মানুহজনীয়ে ৰাজকুঁৱৰী-বিদ্যাৰতীক মাতি জগালেহি। তেতিয়া খিৰিকীয়েদি পুৱাৰ কাঁচিয়লী ৰ'দ সোমাইছেহিহে। বিদ্যাৰতীয়ে ধৰফৰকৈ বিছনাৰ ওপৰত উঠি বহি চাৰিওফালে চালে।

বিদ্যাৰতীয়ে মানুহজনীক সংক্ষিপ্তভাবে ক'লে, "এতিয়া মোৰ স্নানৰ সময়।"

"সকলো ব্যৱস্থা-বন্দৱস্ত হৈয়েই আছে। স্নান কৰিবা, ব'লা।"

ৰাজকুঁৱৰীয়ে মনোমতকৈ গা ধুলে, তাত তেওঁৰ কাৰণে ৰাখি থোৱা সাজ-পাৰ-খিনি পিন্ধিলে, আৰু তাৰ পাছত গা-ধোৱা কোঠাৰপৰা ওলায়েই অত তেওঁৰ কাৰণে ৰৈ থকা, তেওঁ পিন্ধি থকাৰ দৰে



একেই সাজ-পাৰ পিন্ধা দুজনী যুৱতীক থিয় হৈ থকা দেখি আচৰিত মানিলে।

সেই বুঢ়ী—চাকৰণীজনীয়ে ক'লে, "এই দুজনী তোমাৰ সুবিধা-অসুবিধাত সহায়-কৰাৰ কাৰণেই আছে। এইজনীৰ নাম মালা, আৰু সিজনীৰ নাম নীলা। যেতিয়া—যি লাগে—ইহঁতক ক'বা।"

"তুমি ইয়াতে নাথাকিবা জানো?" বিদ্যাৰতীয়ে মানুহজনীক সুধিলে।

"এ—ওঁ, থাকিম...। পিছে—নাথাকিবও পাৰোঁ কোনো ঠিক নাই। আৰু—এইবোৰ কথা জনাৰো তোমাৰ কোনো প্ৰয়োজন নাই। মনত ৰাখিবা—তুমি মোক, বা এই দুজনীকো কোনো ধৰণৰ কথা নুসুধিবা।" এই বুলি কৈ, বিদ্যাৰতী ৰাজকুঁৱৰীক সাৱধান কৰি দি সেই মানুহজনী তাৰপৰা আঁতৰি গ'ল।

প্ৰাতৰ্ভোজনৰ অন্তত ৰাজকুঁৱৰী বিদ্যাৰতী সেই প্ৰকাণ্ড কক্ষটোৰ খিৰিকীৰ কাষত বহিলহি। কক্ষটোৰ সকলোতে আইনা। এনে এবেগেত ঠায়ো নাই—য'ত আইনা লগোৱা নাই। আনকি কক্ষটোৰ চালৰ তলফালতো আইনা লগোৱা। মালা আৰু নীলাই কক্ষটোৰ ভিতৰতে ঘূৰি ঘূৰি পৰ্দা আৰু অন্যান্য সামগ্ৰীখিনিও চিক্কিণকৈ সজাইছে। সিহঁত দুজনী ঘূৰি ফুৰোঁতে আইনাত সিহঁতৰ প্ৰতিবিম্ব দেখি ৰাজকুঁৱৰী প্ৰায় উচপেই খাই উঠিল। সেই দুজনীৰ কেৱল সাজপাৰেই তেওঁৰ দৰে নহয়, সেই দুজনী দেখাই-মেলায়ো প্ৰায় হুবহু তেওঁৰ দৰে।

দুপৰীয়াতে আন এজনী লিগিৰীয়ে ৰাজকুঁৱৰীৰ কাৰণে আহাৰ্য্য লৈ আহিল, আৰু ৰাজকুঁৱৰীয়ে সেই আহাৰ্য্য বিনা প্ৰতিবাদে খাই, তাৰ পাছত অতি কোমল শয্যাত শুলেগৈ। লগে লগে আন এজনী পৰিচাৰিকাই বিৰাট বিচনী টানি টানি ৰাজকুঁৱৰীক বিচি থাকিল।

আবেলি পৰতে সেই বুঢ়ী মানুহজনী



বুঢ়ী পৰিচাৰিকাজনীয়ে এই কক্ষটোৰ তলা খুলিলে আৰু ৰাজকুঁৱৰীয়ে এইবাৰ ফটফটীয়াকৈ বুজি পালে যে এই মানুহজনীয়ে তেওঁক আন এটা প্ৰকাণ্ড কক্ষলৈ লৈ আহিছে। ৰাতিৰ আহাৰৰ অন্তত ৰাজকুঁৱৰীয়ে এইটো কক্ষতে শুলে।

পাছদিনা ৰাতিপুৱা সাৰ পাই উঠি ৰাজকুঁৱৰীয়ে যেতিয়া কক্ষৰ খিৰিকীয়েদি চালে, তেতিয়া সেই উদ্যানৰ একাংশ তেওঁৰ দৃষ্টিগোচৰ হ'ল।

তাৰ পাছত বিদ্যাৰতীয়ে স্নান সমাপন কৰিবলৈ গ'ল আৰু স্নানান্তে স্নান-কক্ষৰপৰা ওলাই আহি আকৌ দুজনী পৰিচাৰিকাক তাত দেখা পালে। এই দুজনীৰ পিন্ধনতো আছিল বিদ্যাৰতীয়ে পিন্ধা বস্ত্ৰাদিৰ অনুৰূপ বস্ত্ৰ আৰু ইহঁতো দেখাত ৰাজকুঁৱৰীৰ দৰে, প্ৰায় একেই।

"এই দুজনীৰ নাম হ'ল সুৰেখা আৰু সুলেখা। আজি তোমাৰ কাম এই দুজনীয়েই কৰিব।" এই বুলি কৈ বুঢ়ী মানুহজনী তেতিয়াই তাৰপৰা গ'লগৈ।

বিদ্যাৰতীয়ে এজনী পৰিচাৰিকাক ক'লে, "সুৰেখা, তোমাক মই কথা এটা সোধোঁ যদি বেয়া পাবানে?"

"মই সুৰেখা নহওঁ, মই সুলেখা। আপোনাক কি লাগে কওক।"

পুনৰ আহিল আৰু ক'লে, "ৰাজকুঁৱৰী, ব'লা, উদ্যানত অলপ ফুৰি আহিবা।"

উদ্যানলৈ আহি বিদ্যাৰতীয়ে উদ্যানৰ ফুলেপুলিবোৰ চালি-জাৰি পৰীক্ষা-নিৰীক্ষা কৰাত মনোযোগ দিলে। ডাঠ দলিচাহেন লৱণু-কোমল সেউজ ঘাঁহনিৰ ওপৰেদি আলফুলকৈ খোজ দি দি ঘূৰি ফুৰিবলৈ ধৰিলে। আৰু বহু সময় ধৰি উদ্যানত ঘূৰি ফুৰাৰ অন্তত পুনৰ মায়া-মহললৈ বুলি খোজ ল'লে।

মায়া মহল পাই বিদ্যাৰতীৰ ভাব হ'ল যে—তেওঁ আজি আন এটা কক্ষৰ আগত থিয় হৈছেহি।

একো নালাগে। —তুমি ইয়াত বহু দিনৰেপৰাই আছা, নহয় জানো?"

"নহয়, ৰাজকুমাৰী! মই ইয়ালৈ অহা মাত্র দুমাহমান হ'ল।" সুলেখাই ক'লে।

"তোমাৰ কথা-বার্তা বৰ সুন্দৰ। মই যেতিয়া পুনৰ আমাৰ প্রাসাদলৈ যাম, তোমাকো লৈ যাম লগত, যাবানে?" বিদ্যাৰতীয়ে—সুলেখাক সুধিলে।

"এই প্রাসাদো আপোনাৰেই, ৰাজকুমাৰী! মালিকে যিমান দিনলৈ মন কৰিব, আপুনি ইয়াতে থাকিব। তাৰ পাছত আপোনাক আন যিকোনো ঠাইলৈকো লৈ যাব হয়তো। কিন্তু মালিকে কেতিয়া কাক ক'লৈ লৈ যাব, ক'ব নোৱাৰোঁ, কোনেও ক'ব নোৱাৰে"

বিদ্যাৰতীয়ে সুলেখাৰ কথাখিনি মন দি শুনিলে, কিন্তু কোনো উত্তৰ নিদিলে।

দুপৰীয়াৰ আহাৰৰ অন্তত বিদ্যাৰতী পালেঙৰ ওপৰত বহিল। অলপমান আঁতৰত আদেশলৈ বৈ থকা পৰিচাৰিকা-বিদ্যাৰতীয়ে ক'লে, "সুলেখা, ইয়ালৈ আহাঁ, মোৰ কাষত বহাঁহি। মই তোমাক কথা এটা সুধিম।"

"ৰাজকুমাৰীজী! মই সুলেখা নহওঁ, মই সুৰেখা।" এই বুলি কৈ তাই লাহে-ধীৰে বিদ্যাৰতীৰ কাষ চাপিল।

"অ — হয়নে? তোমালোক দুয়োজনীয়েই দেখাত হুবহু একেই তোমালোক বোধকৰোঁ—যঁজা। নহয়নে বাৰু?" বিদ্যাৰতীয়ে সুধিলে।

"নহয়, ৰাজকুমাৰীজী! আমি যঁজা তো নহয়েই, একেগৰাকী মাতৃৰ পেটৰ-পৰাও ওপজা নহওঁ।" সুৰেখাই ক'লে।

"তুমি ইয়াত থকা কিমান দিন হ'ল?" বিদ্যাৰতীয়ে সুধিলে।

"মাত্র দুমাহমানৰ আগৰপৰা।" সুৰেখাই ক'লে।

"ইমান ডাঙৰ অট্টালিকাত কেৱল তোমালোক এই দুজনীয়েই আছানে?" বিদ্যাৰতীয়ে আচৰিত মানি সুধিলে।

“কালি আপোনাৰ কাম কৰিবলৈ মালা আৰু নীলাক দিয়া হৈছিল। আজি আমাক আগলৈ. এইদৰেই আন কেইবাজনীকো পাব। যদিও—সেই কেইজনী কোন—মই নাজানো, বা সিহঁতক মই কোনো-কাহানি দেখাও নাই।” সুৰেখাই ক'লে।

“ইয়াত কোনোবা মতা মানুহ নাইনে কি?—তোমালোকৰ মালিক তো নিশ্চয় ইয়াত থাকে।” বিদ্যাৰতীয়ে সুৰেখাজনীক টুকুৰিয়াই চালে।

“মতামানুহ নথকা নহয়, আছে। কিন্তু—সেই মতামানুহবিলাক বহুত দূৰত থাকে, আমাৰ আশে-কাষে নাথাকে—নাহে। মালিকও কাচিৎ-কেতিয়াবাহে আহে ইয়ালৈ। আজিপৰ্য্যে মই মালিকক দেখাই নাই। ৰাজকুমাৰীজী, এতিয়া আপোনাৰ শোৱাৰ সময় হ'ল।” এই বুলি কৈ, সুৰেখাই ৰাজকুঁৱৰী বিদ্যাৰতীৰ বাবে পাৰি-লোৱা দুগ্ধফেননিভ শয্যা ঠিকঠাক কৰি দিলে আৰু বিদ্যাৰতীও বিছনাত শুলে গৈ। সুৰেখা আৰু সুলেখাই ৰাজকুঁৱৰীৰ শয়নকক্ষৰ বাহিৰত মাচিয়াৰ ওপৰত বহি ৰাজকুঁৱৰীলৈয়েই চাই থাকিল।

আবেলিপৰতে, বিদ্যাৰতী যেতিয়া জাগি উঠিল, সেই বুঢ়ী মানুহজনীয়ে বিদ্যাৰতীক উদ্যানলৈ ফুৰাবলৈ লৈ যাবলৈ তাত ৰৈ আছিল। ৰাজকুঁৱৰীক উদ্যানলৈ লৈ যোৱাৰ বাবে কেৱল তায়েই আছিল. আন কোনো লগত নাছিল। এই বুঢ়ী মানুহজনী আছিল গম্ভীৰ প্ৰকৃতিৰ, প্ৰয়োজনৰ বাহিৰে এটা শব্দও নকৈছিল, বা একো সুধিছিল।

বিদ্যাৰতীয়ে ভাবি আছিল: এইবোৰ কথা-কাণ্ড কোনেনো কৰি আছে? পাহাৰেৰে আগুৰা ঘোৰ অৰণ্যত থকা এই প্ৰকাণ্ড অট্টালিকাৰ মালিক কোননো? কোনে এই অট্টালিকাত। ইহঁতক, আৰু লগতে মোকো গৃহবন্দী

ক্ৰি থৈছে? কোননো মানুহজন?

বহু সময়ৰেপৰাই বিদ্যাৰতীৰ মনত এইবোৰ প্ৰশ্নই মূৰ দঙা হৈছিল আৰু এইবোৰ কথা ভাবি ভাবিয়েই সেই বুঢ়ী পৰিচাৰিকাজনীৰ সৈতে তেওঁ সুৰম্য উদ্যানত টহলি আছিল।

চাওঁতে চাওঁতে বেলি মাৰ গ'ল, সন্ধ্যা সমাগত হ'ল। আৰু দুয়োজনীয়েই পুনৰ মায়া মহললৈ বুলি আগ বাঢ়িল।

এইবাৰ বিদ্যাৰতীক আকৌ এটা নতুন কক্ষলৈ লৈ অহা হ'ল সেই বুঢ়ী পৰিচাৰিকাজনীয়ে।

পাছদিনা পুৱাৰ পৰতে যেতিয়া ৰাজকুঁৱৰীয়ে হঠাৎ সাৰ পালে, আৰু টোপনিৰপৰা সাৰ পোৱাৰ পাছত যেতিয়া তেওঁ স্নান সমাপন কৰি আহিল, তেতিয়া তেওঁৰ কাৰণে মালিনী আৰু শালিনী নামৰ দুজনী নতুন পৰিচাৰিকাক বৈ থকা দেখা পাই বৰ বিস্মিত হ'ল বিদ্যাৰতী। এই দুজনীও দেখাত প্ৰায় হুবহু তেওঁৰ দৰে আৰু স্নানান্তে ৰাজকুঁৱৰীয়ে যেনেকুৱা ধৰণে সাজ-পাৰ পিন্ধিছিল—ইহঁত দুজনীৰ পিন্ধনতো তেনেকুৱা সাজ-পাৰেই আছিল।

এতিয়া ৰাজকুঁৱৰীয়ে—ফটফটীয়াকৈ বুজি পালে যে—তেওঁৰ অপহৰণকাৰী—কোনো সাধাৰণ ব্যক্তি নহয়, অতি অসাধাৰণ বুদ্ধিমান ব্যক্তি! ৰাজকুঁৱৰী বিদ্যাৰতী যে প্ৰকৃততে কোনজনী—সেই কথা যাতে কোনোৱেই সহজে গমিব নোৱাৰে—এইবোৰ পৰিচাৰিকাৰ সাজ-পাৰ তথা আকাৰ-প্ৰকাৰও যে তেওঁৰ দৰে—তাৰ গুৰিত আছে তেওঁৰ অপহৰণ-কাৰীৰ ক্ষুৰধাৰ বুদ্ধিবৃত্তি।

এই ৰহস্য ভেদ কৰাৰ লগে লগে ৰাজকুঁৱৰী বিদ্যাৰতী এই কথা ভাবি অতিপাত দুশ্চিন্তিত হৈ পৰিল যে—এনে অৱস্থাত এতিয়া কৰ্তব্য কি।

আগলৈ



দূৰৰ বৌ-বৰালি

লক্ষ্মণ শ্বেঠ নামৰ মানুহ এজনে দৰবত্ত লগা লতা-পাত-শিপা আদিৰ বেপাৰ কৰিছিল। এদিন তাক কোনোবা এজনে ক'লে যে—পূৰ্বদ্বীপলৈ গ'লে বহুত লাভৰ কাৰবাৰ কৰিব পৰা যাব, লাখে-লাখে আয়-উপাৰ্জন হ'ব। কিন্তু লক্ষ্মণশ্বেঠৰ পৰিবাৰে ক'লে যে—দূৰৰ বৌ-বৰালিলৈ আশা পালি থাকিলে হিতে বিপৰীত হ'ব পাৰে। কথাটো লক্ষ্মণশ্বেঠৰ মাক-দেউতাকেও ক'লে তাক। ক'লে যে—বেহা-বেপাৰৰ দক্ষতা আছে যাৰ—সকলোতেই লাভ হ'ব তাৰ। প্ৰকৃত বেপাৰীয়ে ক'লৈকো যাব নালাগে। কিন্তু লক্ষ্মণে নুশুনে এইবোৰ হিত-কথা। সি আঁকোৰগোজ হৈয়েই থাকিল। পূৰ্বদ্বীপলৈ সি যাবই যাব,ধনেদি দোল বান্ধিব, তেহে ৰ'ব।

এনেতে লক্ষ্মণশ্বেঠইতৰ আত্মীয় এজন সিহঁতৰ ঘৰলৈকে আহিল। এওঁ পূৰ্বদ্বীপলৈ বেহাবলৈ গৈছিল হেনো। লক্ষ্মণশ্বেঠে এওঁক সুধিলে, "হেৰি, কথাটো হয়নে? পূৰ্বদ্বীপৰ হাটে-বজাৰে বোলে—মণি-মুকুতা হীৰা-জহৰত আমাৰ ধান-চাউল বেচাদি বেচে?"

আত্মীয় মানুহজনে ক'লে, "এইবোৰ একেবাৰে গোকাট মিছা। তাত মণি-মুকুতা হীৰা-জহৰত একোৱেই নাই, এইবোৰ কি—খায়নে কাণত পিন্ধে—তাকো তাৰ মানুহে নাজানে। ময়ো তালৈ যোৱাৰ আগতে এইবোৰ কথা শুনিছিলোঁ। মই কিছুখিনি বগা বগা শিলৰ টুকুৰা তালৈ লৈ গৈছিলোঁ—সিহঁতে দেখোন শিলৰ টুকুৰাবোৰকে ৰত্ন বুলি ভাবি যত্ন কৰি কিনি লৈ গ'ল। দৰাচলতে—আমাৰ দেশৰ যিকোনো শিলৰ টুকুৰাকে তাত ৰত্ন বুলি বেচিব পাৰি।"

এইবোৰ লক্ষ্মণশ্বেঠৰ কিঞ্চিত জ্ঞানোদয় হ'ল। এইবাৰ পৰিবাৰে কোৱা 'দূৰৰ বৌ-বৰালি'ৰকথাষাৰ উপলব্ধি কৰি লক্ষ্মণশ্বেঠেও ভাবিলে: কথাতে কয়, বোলে—দূৰৰ পৰ্বত নিটোল হয়। —এই বুলি ভাবি লক্ষ্মণশ্বেঠে পূৰ্বদ্বীপলৈ যোৱাৰ আঁচনি বাদ দিলে।



চাতুৰ্য্য-জ্ঞান

অটল প্ৰতিজ্ঞাৰে আবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল আৰু গাছৰ ডালত লৰক-ফৰককৈ ওলমি থকা যুগ যুগ ধৰি অবিকৃত হৈ থকা মৃতদেহটো নমাই আনি, কান্ধত পেলাই লৈ, ঘোৰ আঁউসীৰ ৰাতিৰ বুকুভেদি মৰিশালিলৈ বুলি গৈ থাকোঁতে মৃতদেহৰ মাজত থকা বেতালে লৰ-চৰ কৰি উঠিল আৰু ক'লে, "হে ৰজা বিক্ৰম! কেৱল যুগ যুগ জোৰা শ্ৰমেৰেই কোনো অভিষ্ট সিদ্ধ নহয়, বা কেৱল প্ৰতিজ্ঞাৰেও পৃথিৱীখনৰ অধীশ্বৰ হ'ব নোৱাৰি। প্ৰকৃত ৰাজনীতি তথা চাতুৰ্য্যজ্ঞান নাথাকিলে কি হয় আৰু থাকিলে কি হয়—ৰজা সত্যপালৰ কাহিনী শুনি শুনি গৈ থাকা। আন নহ'লেও তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'

সুপ্ৰাচীন কালত চন্দন দেশত মহাৰাজ চন্দ্ৰপালৰ শাসন আছিল। এদিন অকস্মাৎ মহাৰাজ চন্দ্ৰপাল স্বৰ্গী হ'ল, আৰু তেতিয়া তেওঁৰ পুত্ৰ সত্যপালক সিংহাসনত অধিষ্ঠিত কৰা হ'ল।

ৰাজপাট পায়েই ৰজা সত্যপালে দেশখনৰ প্ৰকৃত অৱস্থা উমান ল'বলৈ মন মেলিলে। তেওঁ সুস্পষ্টভাবে লক্ষ্য কৰিলে যে—ভোগ-লালসাত নিমজ্জিত তেওঁৰ স্বৰ্গগত পিতৃ চন্দ্ৰপালদেৱে দেশৰ শাসন কেতবোৰ ক্ষমতা তথা ধনলিপ্সু উচ্চ পদাধিকাৰীৰ হাতত গটাই দি স্বয়ং বিলাসিতাৰ সোঁতত উটিছিল। আৰু তাৰ অনিবাৰ্য্য ফলস্বৰূপে, দেশৰ চতুৰ্দিশতে সাৰ্বিক অৰাজকতা বিয়পি পৰিছিল।

চন্দনদেশৰ আভ্যন্তৰীণ অৱস্থা হৈ উঠিছিল দুৰ্দশাগ্ৰস্ত, আৰু লগতে বহিঃদেশীয় অৱস্থাও হৈছিল ৰাহুগ্ৰস্ত। চন্দনদেশৰ পূৰ্বদিশত আছিল এখন ভীলৰাজ্য। বহু কালৰেপৰাই চন্দনদেশৰ সামন্তৰাজ্য হৈ থকা এইখন ভীল ৰাজ্যই এতিয়া স্বাধীন হোৱাৰ্লৈ মূৰ দাঙিছিল।

কথা মাত্ৰ সিমানেই নহয়। চন্দনদেশৰ চোৰাংচোৱাপ্ৰধানে এই সম্বাদও কঢ়িয়াই আনিছিল যে—চন্দনদেশৰ প্ৰতিবেশী ৰাজ্য মিহিৰদেশৰ ৰজা প্ৰচণ্ডবৰ্মাই চন্দনদেশৰ অভ্যন্তৰীন দুৰ্দশাগ্ৰস্ত অৱস্থালৈ লক্ষ্য কৰি চন্দনদেশ আক্ৰমণ কৰি অধিকাৰ কৰিবলৈ কিলাকুটি চাঁচিছে।

এদিন ৰজা সত্যপালে তেওঁৰ মহামন্ত্ৰী কেৰলভট্টৰ সৈতে এই বিষয়ে পৰামৰ্শ কৰাৰ মনেৰে কেৰলভট্টক মাতাই অনালে।

ৰজা সত্যপালৰ প্ৰশ্নৰ উত্তৰত মহামন্ত্ৰী কেৰলভট্টই ক'লে, “মহাৰাজ। এইবোৰ ক্ষেত্ৰত দেশৰ আভ্যন্তৰীণ সমস্যাতকৈ বৈদেশিক সমস্যাৰ সমাধানতে অধিক মনোযোগ দিব লাগে। নহ'লে আমাৰ বিপদ হ'বই। যি কি নহওক—এটা বিশেষ উপায় লয় যদি, এইবোৰ সমস্যাৰ

সমাধান নিমিষতে হৈ যাব।"

"হয়নে ? কেনেকৈনো ?" ৰজা সত্যপালে কৌতুহলী হৈ সুধিলে।

"মহাৰাজ ! মিহিৰদেশৰ ৰজাৰ জী এজনীয়েই, ৰাজকুঁৱৰী মধুলিকা ! আপুনি যদি ৰাজকুঁৱৰী মধুলিকাক বিবাহ কৰায়, নিমিষতে এই লেঠা নিছিগিবনে ? আৰু তেতিয়া—ভীলৰাজ্যখন দখল কৰোঁতেনো কিমান পৰ লাগিছে ? বছ, এক টিলিকিতে সাত শতুৰু বশ সৰ্বশতুৰু নাশ!"

ৰজা সত্যপালে আচৰিত হৈ ক'লে, "মহামন্ত্ৰী, এই কাৰ্য কেনেকৈনো সম্ভৱ হ'ব ? মিহিৰদেশৰ ৰজাই মোকেই ছোৱালী দিব বুলি ভাবিছিলেই যদি—আক্ৰমণ কৰিবলৈ কাপোৰৰ তলত কিলাকুটি কেনেকৈনো চাঁচিছে ?"

শুনি মহামন্ত্ৰী কেৰলভট্ট অলপ সময়লৈ তাপ মাৰি থাকিল আৰু তাৰ পাছত ক'লে, "মহাৰাজ ! কথা—ঠিকেই কৈছে, মিহিৰদেশৰ ৰজা প্ৰচণ্ডবৰ্মাৰ মনত এনেকুৱা কোনো ইচ্ছা নাই। কিন্তু মই যিমানদূৰ জানো—ৰাজকুঁৱৰী মধুলিকাই আপোনাতে প্ৰাণ-মণ সমৰ্পি ৰৈ আছে। আপুনি মাত্ৰ সম্মতি দিয়ক, পাছৰ কাম ৰাজকুঁৱৰী মধুলিকায়েই কৰিব।"

ৰজা সত্যপালে এপলকমান ভাবি লৈ ক'লে, "কিন্তু মহামন্ত্ৰী, প্ৰচণ্ডবৰ্মাৰ জী মধুলিকা যে প্ৰচণ্ড অহংকাৰী— সেই কথাৰ আপুনি ভু পায়নে ?"

এই কথাত ক্ষণকালৰ বাবে দমি গৈ কেৰলভট্টই ক'লে, "তেতিয়া তেওঁ সৰুজনী হৈ আছিল' এতিয়া পূৰঠ হ'ল। নিশ্চয় তেনেবোৰ মনোভাৱ আৰু নাই।"

ৰজা সত্যপালে মৃদুকৈ হাঁহিলে মাথোন, এই বিষয়ে আৰু উচ্চবাচ্য নকৰিলে।

তাৰ পাছত—সমস্যা-জৰ্জৰিত ৰজা সত্যপাল তেওঁলোকৰ গুৰুদেৱৰ আশ্ৰমলৈ বুলি ওলাল।

গুৰুদেৱৰ আশ্ৰম কাঞ্চনগিৰি গৈ



পোৰাৰ আগতে অটব্য অৰণ্যৰ কাষেদি গৈ থাকোঁতে অকস্মাৎ এটা বিৰাট নাহৰফুটুকী বাঘ ৰজা সত্যপালৰ ঘোঁৰাটোৰ ওপৰলৈ জঁপিয়াই পৰিল, আৰু ঘোঁৰাটোৱে বেয়াকৈ ভয় খাই থিয় জাঁপ মাৰি মাৰি উধতুৰা হৈ যেনিয়ে-তেনিয়ে গৈ থাকিল। ৰজা সত্যপালে ঘোঁৰাটোক একোপধ্যে নিয়ন্ত্ৰণ কৰিব নোৱৰা হ'ল। নাহৰফুটুকী তিমানতে নোহোৱা হৈছিল, কিন্তু ঘোঁৰাটোৰ ভয়হে নোহোৱা নহৈছিল। হঠাৎ ঘোঁৰাটোৱে তাৰ আগঠেং দুখন দাঙি এনেকৈ থিয় হৈ উঠিল যে ৰজা সত্যপালে ঘোঁৰাটোৰ পিঠিৰপৰা তললৈ বাগৰি পৰোঁ পৰোঁ হ'ল, কিন্তু ঠিক সেই মুহূৰ্ততে কিবা এবিধ ধ্বনি শুনি বলিয়া ঘোঁৰাটো নিমিষতে শান্ত হৈ পৰিল আৰু গৈ গৈ এজোপা প্ৰকাণ্ড গছৰ ওচৰত থিয় হৈ থাকিল।

এই ধ্বনি ৰজা সত্যপালে আগতেও বহু বাৰ শুনিছিল। এই ধ্বনি বলিয়া ঘোঁৰাক শান্ত কৰাৰ ধ্বনি, বিশেষকৈ ভীল উপজাতিৰ মানুহবিলাকে জানে।

ৰজা সত্যপালে এই কথা বুজি পালে যে—তেওঁ এতিয়া ভীল ৰাজ্যতে বা ভীল ৰাজ্যৰ সীমাতে আছে।

ঠিক তেতিয়াই ভীল যুৱক এজন সেই প্ৰকাণ্ড গছৰপাৰ আঁৰৰপৰা ওলাল আৰু ৰজা সত্যপালৰ সমুখত থিয় হ'লহি।

ৰজা সত্যপালে এই ভীল যুৱকক সুধিলে, "বিশেষ ধ্বনিৰে বলিয়া হৈ পৰা ঘোঁৰাটোক—তুমিয়েই ৰখালানে ?"

ভীল যুৱকজনে মুখ ঢুপিয়াই কিঞ্চিত বিকৃত কণ্ঠেৰে ক'লে, "আপুনি বোধ কৰোঁ বৰকৈ ভগৰি পৰিছে।" এই বুলি কৈয়েই এই ভীল যুৱক অটব্য অৰণ্যৰ মাজত অদৃশ্য হ'ল।

এই ভীল যুৱকক চাই আৰু তাৰ কিঞ্চিত বিকৃত হৈ পৰা কণ্ঠস্বৰ শুনি ৰজা সত্যপাল যথেষ্ট বিস্মিত হৈ উঠিল। তেওঁ

নিৰৰে হঁহিলে, আৰু সেই গছজোপাৰ তলতে বহি দিলে।

চাওঁতে চাওঁতে সেই ভীল যুৱক পুনৰ ওলালহি। যুৱকজনে পৰিশ্ৰান্ত ৰজাক কিছুখিনি মিঠা ফল আৰু খোৱা পানী দিলে, ৰজা সত্যপালে যুৱকক ক'লে, "মোক চিনি পাই বা নাপাই যিধৰণে মোক—তথা বিপদগ্ৰস্তক ৰক্ষা কৰলা আৰু সেৱা-যত্ন কৰিলা—তাৰ কাৰণে মই অতি কৃতজ্ঞ বোধ কৰিছোঁ। তুমি যদি মোৰে সৈতে আমাৰ দৰবাৰলৈ যোৱা, মই যথাযোগ্য-ভাবে ৰাজ-দৰবাৰত তোমাৰ মান ধৰিম, পুৰস্কৃত কৰিম আৰু লগতে তোমাক ৰাজকৰ্মচাৰী হিচাপেও ল'ম।"

ৰজাৰ এই কথাৰ উত্তৰত ভীল যুৱকে ক'লে, "মই মোৰ কৰণীয় কৰ্তব্য কৰিলোঁ মাথোন, কোনো পুৰস্কাৰৰ আশাৰে নহয়।" এই বুলি কৈয়েই ভীল যুৱকে গুচি যাবলৈ খোজ ল'লে।

ৰজা সত্যপালে খং উঠি ক'লে, "মই যে ৰজা আৰু তুমি যে মোৰ সামন্ত ৰাজ্যৰ নাগৰিক—সেই কথালৈ উপেক্ষা প্ৰদৰ্শন কৰিয়েই এইদৰে উভতি খোজ লৈছানে কি?"

তেতিয়া ভীল যুৱকজন ৰ'ল আৰু সত্যপাল ৰজাৰ পিনে ঘূৰি থিয় হৈ ক'লে,

"মোক যে আপুনি ভীলৰাজ- জীয়ৰথৰ পুত্ৰী বুলি চিনি পাইছে—আৰু মোক যে আপুনি লোভৰ বশৱৰ্তী কৰিব খুজিছে, —উত্তমৰূপেই বুজি পাইছোঁ মই।"

এই কথাত হাঁহি মাৰি ৰজা সত্যপালে ক'লে, "তুমি বিকৃত স্বৰেৰে মোক ভাঁৰিব পৰা নাছিলা বুলি দুখ নকৰিবা। বাৰু, এতিয়া মই ৰাজধানীলৈ যাওঁৰেইগৈ, কীৰ্তিমালা!"

তেতিয়া কীৰ্তিমালাই ক'লে, "অলপ ৰ'ব, আপুনি মোৰে সৈতে ব'লক।"

বিনা প্ৰতিবাদে ৰজা সত্যপাল কীৰ্তিমালাৰ পিছে পিছে গৈ থাকিল



আৰু গৈ গৈ এক বিৰাট দেৱীমূৰ্তিৰ আগত ৰৈ থাকিল।

সেই দেৱীমূৰ্তিক কৰযুৰি প্ৰণাম কৰি কীৰ্তিমালাই ক'লে, "আমি আমাৰ এই দেৱীক শক্তিমাতা বুলি কওঁ; দেৱী শক্তিমাতাৰ অনুগ্ৰহত আমাৰ যিকোনো সমস্যাৰ সমাধান হৈ যায়।"

তেতিয়া ৰজা সত্যপালেও শক্তিমাতালৈ প্ৰণাম কৰিলে আৰু কীৰ্তিমালাক ক'লে, "ঠিক দুমাহৰ অন্তত এই দিনত এই ঠাইতে আমি দুয়ো আকৌ লগ লাগিম্হি।"

ৰজা সত্যপালে পাছদিনাৰেপৰাই ৰাজ্যৰ ভ্ৰষ্টাচাৰী কৰ্মচাৰীবিলাকক, ঘোচখোৰ-দুৰ্নীতিপৰায়ণ উচ্চপদস্থ ৰাজকৰ্মচাৰীহঁতক কাৰাগাৰলৈ নিক্ষেপ কৰিবলৈ ধৰিলে আৰু ইহঁতৰ সা-সম্পত্তি বাজেয়াপ্ত কৰিবলৈ ধৰিলে। ৰজা সত্যপালৰ কঠোৰ শাসননীতিৰ ফলত দেশব্যাপী অৰাজকতাৰ অন্ত পৰিল আৰু ৰাজকীয় সৈনিকহঁতে চোৰ-ডকাইত-বদমাছবিলাকক ধৰি ধৰি ফাটত আটক কৰি থাকিল।

এইদৰে চাওঁতে চাওঁতে দুমাহ পাৰ হওঁ হওঁ হ'ল। তেতিয়া ৰজা সত্যপালে নিজৰ অংগীকাৰ মতে ভীলৰাজ্যৰ সীমাত থকা দেৱী শক্তিমাতাৰ ওচৰত ৰৈ থকা পুৰুষবেশী কীৰ্তিমালাৰ সৈতে সাক্ষাৎ কৰিলেগৈ। ৰজাই সন্তুষ্ট মনেৰে ক'লে, "কীৰ্তিমালা, মোৰ সমস্যাসমূহৰ সমাধান হৈ গ'ল, আৰু তাৰ বাবে মই তোমাৰ ওচৰত প্ৰকৃততেই কৃতজ্ঞ। তুমি আমাৰ দেশৰ মহাৰাণী হৈ মোক কিঞ্চিত পৰিমাণে ঋণমুক্ত কৰাঁ।—এয়ে মোৰ অনুৰোধ।"

কীৰ্তিমালাই লাজতে তলমূৰ কৰিলে।

তাৰ পাছত এদিন কীৰ্তিমালাৰ পিতৃৰ সহযোগিতাৰেই ৰজা সত্যপালে কীৰ্তিমালাক স্নুকলমে বিবাহ কৰালে।

আৰু এই বিবাহৰ পাছত মহাৰাজ

সত্যপালে ভীলৰাজ্যৰ সেনাবিলাকৰো লগত লৈ চুবুৰীয়া মিহিৰদেশ আকস্মিক-ভাৱে আক্ৰমণ কৰি ৰজা প্ৰচণ্ডবৰ্মাক পৰাজিত আৰু বন্দী কৰিলে।

পৰাজিত ৰজা প্ৰচণ্ডবৰ্মাই ৰজা সত্যপালক ক'লে, "বোপা সত্যপাল, যুদ্ধত পৰাজিত হোৱাত মই অকণো দুঃখিত নহওঁ। কেৱল—মধুলিকাৰ কথাতহে মই চিন্তিত। তাই তোমাকে পতিৰূপে পাবলৈ আশা পালি তোমাৰ বাট চাই আজিও একেদৰেই বৈ আছে। তুমি তাইক গ্ৰহণ কৰা।"

সত্যপালে পৰাজিত ৰজা প্ৰচণ্ডবৰ্মা-দেৱৰ এই প্ৰস্তাৱ মানি ল'লে আৰু মধুলিকাক বিবাহ কৰাই মিহিৰদেশখনক চন্দনদেশৰ সামন্ত ৰাজ্য বুলি ঘোষণা কৰাৰ অন্তত কোনো সমস্যা নোহোৱাকৈ কীৰ্তিমালা আৰু মধুলিকাৰ সৈতে সুখে-সন্তোষে দিন যাপিবলৈ ধৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা! পিতৃৰ ভোগ-বিলাসপূৰ্ণ ক্ষয়িষ্ণু দেশখনক পুত্ৰ সত্যপালে সুস্থিত কৰিছিল। অন্য দেশৰ ৰজাৰ প্ৰতি কেনেকুৱা আচাৰ-আচৰণ কৰা উচিত সেই শিক্ষা ৰজা সত্যপালৰ মাজত পৰিলক্ষিত হোৱা নাছিল। অৰ্থাৎ—ৰাজনৈতিক দক্ষতা তথা চাতুৰ্য্যৰ লেশমানো ৰজা সত্যপালৰ মাজত দেখা নপৈছিল। —অথচ—এই গুণ ৰাজ্য-পৰিচালনাৰ ক্ষেত্ৰত এক অপৰিহাৰ্য্য গুণ। ৰজা সত্যপালৰ মাজত এই গুণ যে নাই তেওঁৰ চঞ্চল স্বভাৱেই সেই কথাৰ প্ৰমাণ দাঙি ধৰে। আৰু—কীৰ্তিমালাৰ ক্ষেত্ৰত সত্যপালে—আচৰণ কৰিছিল, মধুলিকাৰ ক্ষেত্ৰত তাৰ বিপৰীত। কিন্তু মধুলিকাকো তেওঁ এৰি দিয়া নাছিল, বিবাহ কৰিছিল। এইবোৰ কাৰ্য্য-কলাপে ৰজা সত্যপালৰ অগভীৰ তথা চঞ্চল মতিত্বৰ কথাহে প্ৰকাশ কৰে। ৰজা সত্যপালক এক

হিচাপে তেওঁৰ পিতৃতকৈয়ো ভোগ লালসাৰ দাস তথা নীতি-বিগৰ্হিত দুৰ্নীতি পৰায়ণ বুলি ক'ব নোৱাৰিবনে? মোৰ এই সন্দেহৰ প্ৰকৃত উত্তৰ জনা সত্বেও যদি তুমি সঠিককৈ নিদিয়া—তোমাৰ মূৰ ফাটি অৱশ্যেই চাৰিফাল হ'ব।"

ৰজা বিক্ৰমাদিত্যই বেতালৰ এই জিজ্ঞাসাৰ উত্তৰত ক'লে, "এআযাৰত ইয়াকে ক'ব পাৰি যে—সত্যপালে সিংহাসন অধিষ্ঠিত হোৱাৰপৰা মধুলিকাক বিবাহ কৰোৱালৈকে যিবোৰ কাৰ্য্য-কলাপ কৰিছিল—আটাইবোৰেই আছিল সঠিক। তেওঁ যে তেওঁৰ মহামন্ত্ৰী কেৱল-ভট্টৰ কথামতে সকলো কাম কৰা নাছিল, বৈদেশিক সমস্যাতকৈ দেশৰ অভ্যন্তৰীণ সমস্যাসমূহৰ সমাধানত ব্ৰতী হৈছিল—তাৰেই তেওঁৰ ৰাজনৈতিক পৰিপক্কতা তথা ৰাজনীতি-ঘটিত চাতুৰ্য্যৰ কথাও দেখদেখকৈ ওলাই পৰে। যিকোনো এগৰাকী ৰজাৰ পক্ষে নিজ দেশৰ জন-সমৰ্থনেই হ'ল আচল কথা। কীৰ্তিমালাই ৰজা সত্যপালক শক্তিমাতাৰ মূৰ্তিৰ সমুখলৈ লৈ গৈছিল—সেই দেৱীক সাক্ষী কৰি ৰজা সত্যপালক বিবাহ কৰিবলৈ। গতিকে—ৰজাক এই ক্ষেত্ৰত দোষাৰোপ কৰিব নোৱাৰি। মধুলিকাৰ ক্ষেত্ৰতো ৰজা সত্যপালে মধুলিকাৰ হৃদয়ৰ ইচ্ছা পূৰণ কৰিছিল আৰু এইদৰে তেওঁ মিহিৰ-দেশৰ আৰু ভীলৰাজ্যৰ ক্ৰমবৰ্দ্ধমান বিৰোধিতাক দমন কৰিব পাৰিছিল—ৰাজনৈতিক দূৰদৰ্শিতা তথা চাতুৰ্য্যেৰে। মুঠতে—কোনো ফালৰেপৰাই ৰজা সত্যপালক লোভী ভোগবিলাসী চঞ্চল বা বা অস্থিৰমতি বুলি ক'ব নোৱাৰি।" ১৩

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপালৈ বিজুলীগতিৰে গুচি গ'ল আৰু ডালত ওলমি দিলে। [কল্পিত

চান্দমামা

ক্রোড়পত্ৰ-৪৭

ভাৰতৰ পশু-পক্ষী ঃ

বৰ বগ

পৃথিৱীৰ সকলোতেই কিঞ্চিদধিক সংখ্যাত বৰ বগ পৰিলক্ষিত হয়। এই বৰ বগ আফ্রিকাৰ বোটাবিল আৰু এছিয়াৰ অজুটেট জাতীয় বৰ বগ সম্পূৰ্ণ ভাৰতীয় আৰু ভুনীয়াৰ আটাইবোৰ প্ৰজাতিৰ বৰ বগৰ মাজত এইবিধ ভাৰতীয় বৰ বগেই হ'ল আটাইতকৈ ওখ-পাখ। এইবিধ বৰ বগৰ ঠেং অতি দীঘল আৰু ৰঙা ৰঙ ৰঙৰ। এইবিধৰ বৰ বগৰ ওঁঠ ক'লা বৰণৰ আৰু দীৰ্ঘ। ইয়াৰ ডিঙিৰ ওপৰ ভাগত নীল-হালধীয়া, উজ্জল বৰণ পৰিলক্ষিত হয়। এই প্ৰজাতিৰ বৰ বগৰ তলৰ ভাগ ধকধকীয়া বগা আৰু চিকচিকীয়া ক'লাৰ সংমিশ্ৰণ। এইবোৰ বগ দেখাত অতি ধুনীয়া।

এইবিধ বৰ বগ সদায়েই গা-গুটিয়া হৈ থকা দেখা যায়। যোৰপাতি ফুৰা বৰ বগ -এক বিৰল দৃশ্য। এইবোৰ বৰ বগ কোনো জোপা-জুপলিত নাথাকে, সদায়েই মুকলিত থাকি ভাল পায়।

ডিঙিৰ ভিতৰত সামান্য শব্দ কৰাৰ বাহিৰে এইবোৰ বৰ বগে মুখেৰে কোনো শব্দ নকৰে। ঢোঁতে থঁৰ মৰাত বৰ বগ বৰ ওস্তাদ। ভেকুলী, মাছ আৰু এইজাতীয় সৰু সৰু প্ৰাণী বৰ বগৰ খাদ্য।

ভাৰতৰ উত্তৰ-পূৰ্ব আৰু উত্তৰ-পশ্চিম অঞ্চলত অধিক সংখ্যাত বৰ বগ পৰিলক্ষিত হয়। কিন্তু দক্ষিণ ভাৰতত বৰ বগ হ'ল এক বিৰল পক্ষী।

আজিৰ ভাৰত আৰু তাৰ সাহিত্য-সৃষ্টি

[সুপ্ৰাচীনকালৰ ভাৰতীয় সাহিত্যসৃষ্টিৰ সম্পৰ্কে আমি অল্প-বিস্তৰ প্ৰত্যেকেই হয়তো নানা উপায়েৰে জানিছোঁ, কিন্তু ভাৰতৰ আধুনিক সাহিত্যসৃষ্টিৰ সম্পৰ্কে আমাৰ জ্ঞান অতি সীমিত। সেইদেখি 'চান্দমামা'ই এই পৃষ্ঠাত ভাৰতবৰ্ষৰ বিভিন্ন ভাষাত সৃষ্ট হোৱা সাহিত্যৰ সংক্ষিপ্ততম পৰিচয় প্ৰদান কৰিব। এই সংক্ষিপ্ত পৰিচয়েই আমাৰ পাঠক-পাঠিকাইতৰ মাজত সাহিত্যসৃষ্টিৰ পৰিপূৰ্ণ ৰূপ জানিবলৈ আগ্ৰহ-আকৰ্ষণ সৃষ্টি কৰিব—এই বিশ্বাসৰেই আমি এই পাতত এই কাৰ্য্যত ব্ৰতী হৈছোঁ।]

প্ৰেমচন্দ : গোদান



অযোধ্যাৰ ওচৰত থকা বেলাৰী গাঁৱৰ অন্যতম দুখীয়া কৃষক হ'ল হোৰিৰাম। হোৰিৰামৰ বহু দিনৰ ইচ্ছা—কেনেবাকৈ গাই এজনী কিনিব। কিন্তু কিনিবৰ জোখাৰে ধন পায় ক'ত? কিনিবৰ মন আছে, ধনহে নাই।

সেইখন গাঁৱৰে ভোলাৰ পত্নীবিয়োগ হ'ল। ভোলাই পুনৰ বিয়া কৰাবলৈ বিচাৰে। কিন্তু কইনা পায় ক'ত? ভাবি ভাবি ভোলাই হোৰিৰামক ক'লে যেনেতেনে এজনীক বিচাৰি উলিয়াবলৈ, আৰু তাৰ বাবে ভোলাই তাৰ গাইজনীক হোৰিৰামক উধাৰ হিচাপে হ'লেও—দিলে।

হোৰিৰামৰ ঘৰলৈ যেনেকৈয়েই নহওক—গাই এজনী আহিল, আৰু লগতে আহিল কিছুমান সমস্যা। হোৰিৰামৰ পুতেক গোবৰ ভোলাৰ ঘৰৰপৰা গাইজনী অনাৰ বাবে গৈ—তাত ভোলাৰ জীয়েক ফুলবাৰী-ঝুনিয়াক দেখি ভোল গ'ল আৰু কিছুদিনৰ পাছত অতি গোপনভাবে ঝুনিয়াজনীক গোবৰে বিয়াও কৰালে।

ইপিনে—হোৰিৰামৰ ঘৰত গাই এজনী দেখা পাই হোৰিৰামৰ সতিয়ৈ ভায়েক হীৰা ঈৰ্ষান্বিত হৈ উঠিল। এদিন হীৰাই গাইজনীক বিহ খুৱাই দিলে, কিন্তু সি হাতে-লুটে ধৰা পৰিল। শাস্তিৰ ভয়ত হীৰা গাঁও এৰি পলাই গ'ল।

কিছুদিনৰ অন্তত গোবৰ আৰু ঝুনিয়াৰ বিয়াৰ কথাটোও ফাদিল হৈ পৰিল। গাঁৱৰ ৰাইজে ক'লে যে বাঁৰী মানুহ এজনীক বিয়া কৰোৱাটো—তাকো আকৌ, মাক-দেউতাকক নোকোৱা-নেমেলাকৈ—দুৰ্ঘোৰ অনিয়ম তথা নৰকলৈ যাবনবিধৰ পাপৰ কথা। তথাপি, হোৰিৰামৰ পত্নী ধনীয়াই দুয়োকো সিহঁতৰ ঘৰতে থাকিবলৈ দিলে।

কিন্তু ভোলাই তাৰ জীয়েকৰ অপৰাধ ক্ষমা কৰিব নোৱাৰিলে। ভোলাই হোৰিৰামক ক'লে যে—ঝুনিয়াক ঘৰৰপৰা খেদিব লাগে। কিন্তু হোৰিৰাম ভোলাৰ প্ৰস্তাৱত মান্তি হ'ব নোৱাৰিলে। এই কথাত ভোলাৰ গাত জুই জ্বলিল, আৰু সি তাৰ গাইজনীৰ দাম তেতিয়াই শোধাৰ্বলৈ ক'লে ৰামক। কিন্তু ক'ৰপৰা নো হোৰিৰামে ধন হোৰি পায়? গতিকে ভোলাই তাৰ গাইজনী হোৰিৰামৰ ঘৰৰপৰা লৈ গ'ল।

গোবৰ লখনৌলৈ গ'ল। তাত থাকি সি পইচা-পাতিও আৰ্জিব পৰা হ'ল। তাৰ পাছত সি যেতিয়া পুনৰ গাঁৱলৈ আহিল, দহটকীয়া হোৱাত দহোৱাইজে তাক ধইন্ ধইন্ কৰা হ'ল, ভোলায়ো গাইজনী আকৌ ঘূৰাই দিয়া হ'ল।

এইবাৰ ঝুনিয়াজনীও গোবৰৰ সৈতে চহৰলৈ গ'ল। কিন্তু চহৰৰ জীৱন তাইৰ একেবাৰেই ভাল নালাগিল। তাইৰ প্ৰথমটি শিশু প্ৰায় ওপজোঁতেই মৰিল। গোবৰ কাৰখানা এটাত কাম কৰি থাকিল আৰু নিতৌ গধূলিতে টেঁটুলৈকে চুলাই খাই থাকিল। এতিয়া সি গোবৰে ঝুনিয়াক দুৰ্ব্যৱহাৰ কৰাৰ উপৰি মাৰ-পিটো কৰা হ'ল। তাৰ পাছত—এদিন তাৰ কাৰখানাৰ দুই দল বনুৱাৰ মাজত যিখন তয়াময়া হ'ল, তাত গোবৰ বেয়াকৈ আহত হ'ল। ঝুনিয়াই গোবৰক অতি যত্নেৰে সেৱা কাৰ সুস্থ কৰি তুলিলে আৰু তেতিয়া গোবৰৰ মাজত পৰিৱৰ্তন আহিল।

ইপিনে - গাঁৱত হোৰিৰামৰ জীৱন সমস্যা-জৰ্জৰিত হৈয়েই আছিল। হোৰিৰামে তেওঁৰ ডাঙৰ ছোৱালীজনীক বিয়া দিবলৈ কিছুখিনি ধাৰ ল'লে আৰু দ্বিতীয়জনী ছোৱালী ৰূপাক প্ৰৌঢ় কিন্তু ধনী মানুহ এজনক দিবলৈ ল'লে। ধনী বুলি জানি ৰূপাজনীয়েও কোনোধৰণৰ আপত্তি নকৰিলে।

কিন্তু হোৰিৰামে তেতিয়া শিলভঙা বনুৱাৰ কাম কৰি কাৰ অতিপাত পৰিশ্ৰান্ত হৈ পৰিছিল আৰু তেওঁৰ চাউলো টুটি আহিছিল। তথাপি—মৃত্যুৰ আগে আগে হোৰিৰামৰ জীৱনত কিছু-কিঞ্চিত শান্তিৰ বা' বলিল। গাই এজনীক বিহ খুৱাই হত্যা কৰাত পাছত অনুতাপ প্ৰকাশ কৰি হীৰাও পুনৰ গাঁৱলৈ উভতি আহিল আৰু ককায়েক হোৰিৰামৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিলে। গোবৰৰ দ্বিতীয় সন্তানটিও অৰ্থাৎ হোৰিৰামৰ নাতিয়েক, হোৰিৰামৰ মনত সুখ-শান্তিৰ জোৱাৰ আনি দিলে।

হোৰিৰাম যেতিয়া মৃত্যুমুখী হ'ল, তেতিয়া তেওঁ তেওঁৰ পত্নীক কলে যে - আত্মাৰ শান্তিৰ বাবে গোদান কৰিব লাগে। পত্নী ধনীয়াই ব্ৰাহ্মণ মানুহজনক একাষৰীয়াকৈ মাতি নি ক'লে যে—তাইৰ হাতত থকা টকা দুটা ব্ৰাহ্মণে লওক, আৰু তাকেই গোদান বুলি গণ্য কৰক।

এয়ে হ'ল 'গোদান' উপন্যাসৰ সাৰমৰ্ম। কিন্তু উপন্যাসখনত প্ৰচুৰ সংঘাতপূৰ্ণ ঘটনা বিদ্যমান—যিবোৰ কথা পঢ়িলেহে পাঠকে জানিব। উপন্যাসখন ভাৰতীয় গ্ৰাম্যজীৱনৰ এক জীৱন্ত ৰূপ।

হিন্দী সাহিত্যৰ কৃতী সাহিত্যিক প্ৰেমচন্দ ১৮৮০ চনত বাৰণসীত (কাশী) জন্মগ্ৰহণ কৰিছিল আৰু উৰ্দু আৰু ফাৰ্চি ভাষা অধ্যয়ন কৰি পোনতে উৰ্দু ভাষাৰ যোগে, পাছত হিন্দী ভাষাৰ যোগেদি সাহিত্য সৃষ্টি কৰিছিল। ১৯৩৬ চনত এই অনন্য প্ৰতিভাধৰ প্ৰেমচন্দ স্বৰ্গী হৈছিল।

আমি জানোনে?

১. কবি বিদ্যাপতি আছিল পঞ্চদশ শতিকাৰ কবি। তেওঁ কোন ভাষাৰ যোগে কাব্য ৰচনা কৰিছিল?
২. মুনি ঋষিসকলে যি বন বা উদ্যানত তপস্যা কৰিছিল—সেই বন বা উদ্যানক কি বুলি কোৱা হৈছিল?
৩. কথিত আছে যে—এগৰাকী মুনিয়ে তেজ বৈ যোৱা গংগা নৈখনক পি খাইছিল আৰু কাণেৰে আকৌ উলিয়াই দিছিল। এই কাৰণে গংগা নৈখনে নতুন নাম পোৱা হৈছিল। কি নাম?
৪. ভাৰতৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰী ১৯৬৬ চনত কাৰ সৈতে সাক্ষাৎ কৰিবলৈ তাছখন্দলৈ গৈছিল?
৫. থানেশ্বৰ-কনৌজৰ ওপৰত সম্ৰাট হৰ্ষবৰ্ধনক দক্ষিণ ভাৰতৰ কোনগৰাকী ৰজাই পৰাজিত কৰিছিল?
৬. খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত লিপিবদ্ধ প্ৰথম ভাৰতীয় শিল্পী কোন আছিল?
৭. মহাভাৰতত উল্লিখিত জনমেজয়ৰ সৰ্পযজ্ঞৰপৰা কথমপি ৰক্ষা পৰি ওলাই অহা সৰ্পৰজাৰ নাম?
৮. ছয় ঋতুলৈ ধন্যবাদ জ্ঞাপন কৰিবলৈ পাৰস্যৰ অধিবাসীসকলে বেলেগ বেলেগ উছৱ পাতে। সেইবোৰ উছৱৰ নাম?
৯. কোন খেলাৰ বাবে 'একলব্য আৰু 'ৰাণীলক্ষ্মী' পুৰস্কাৰ প্ৰদান কৰা হয়?
১০. ভাৰতত কোন ৰেল আলি সৰ্বাধিক ৰাজ্যৰ মাজেদি গৈছে?
১১. উত্তৰ কেৰলস্থিত 'তেল্লিচেৰী' কিহৰ কাৰণে বিশ্বখ্যাত?
১২. ভাৰতৰ 'ফৰাক্কা ব্যাৰেজ' তথা মথাউৰি—কোন বিশেষ উদ্দেশ্যৰে সজা হৈছিল?
১৩. অজন্তাগুহাৰ চিত্ৰাৱলীক 'কুড্যচিত্ৰ' নামেৰে অভিহিত কৰা হয়। এই চিত্ৰসমূহৰ বিশেষত্ব কি?
১৪. ৰাজীৱ গান্ধী নিহত হোৱা পেৰাম্বদুৰ হ'ল এগৰাকী সুপ্ৰসিদ্ধ সন্তৰ জন্মপ্ৰদেশ। তেওঁনো কোন?
১৫. শিৱৰ মন্দিৰসমূহৰ মাজত নটৰাজৰূপী শিৱৰো এক মন্দিৰ আছে। সেই মন্দিৰ ক'ত অৱস্থিত?

উত্তৰ

১. ব্ৰজবোলি বা ব্ৰজভাষা।
২. তপোবন।
৩. জাহ্নু—জাহ্নৱী।
৪. পাকিস্তানৰ ৰাষ্ট্ৰপতি আইয়ুব খানৰ সৈতে।
৫. পুলকেশী দ্বিতীয়।
৬. মহাগোবিন্দ—'ধম্মপদা'ত।
৭. তক্ষক।
৮. গাহম্বৰ।
৯. খো-খো।
১০. জম্মুৰপৰা কন্যাকুমাৰীলৈকে যোৱা ৰেলআলি—তামিলনাডু, কেৰল, অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, উত্তৰপ্ৰদেশ, হৰিয়ানা, ইউনিয়ন টেৰিটৰি অভ্ দিল্লী আৰু জম্মু-কাশ্মীৰ ৰাজ্যৰ মাজেদি গৈছে।
১১. আমাৰ দেশৰ চাৰ্কাছ তেল্লিচেৰীৰপৰা উদ্ভৱ হৈছিল আৰু তাৰেপৰাই আমি অসংখ্য চাৰ্কাছ-শিল্পী প্ৰাপ্ত হৈছোঁ।
১২. কলিকতা বন্দৰৰ নাব্যতা বঢ়াবলৈ।
১৩. এই চিত্ৰসমূহ পাহাৰ-গুহাৰ গাত অঁকা হৈছে।
১৪. সন্ত ৰামানুজাচাৰ্য্য।
১৫. চিদাম্বৰমস্থিত শিৱ মন্দিৰ।

ধৰি অনা বান্দৰ

ধনগুৰৈ গাঁৱৰ ধনিকলাল এজন বিৰাট ধনী মানুহ। কিন্তু ধনিকলাল কাৰো উপকাৰ কৰাত নাই। বৰঞ্চ—কোনোবাই কিবা সমস্যাত পৰি পা-পৰামৰ্শ খুজিলে ধনিকলালে বিপাঙত পৰাজনক অধিক বিপাঙত পেলাকলৈ, কুকুৰাৰ হাতৰপৰা পঞ্চমুখীয়াৰ হাতত পেলাবলৈহে দিহা দিয়ে, কেতিয়াও ধনুত ধৰি বল নিদিয়ে।

এদিন ধনিকলালৰ চুবুৰীয়া মাণিকমাল হঠাৎ কিবা এক ভয়ংকৰ বেমাৰ কবলত পৰি ককবকাবলৈ ধৰিলে। অন্য গাঁৱৰপৰা বেজক মাতি অনা হল। বেজে মাণিকমালক পৰীক্ষা কৰি ক'লে, কৃষ্ণ তুলসীৰ পাতৰ ৰস মৌৰে সৈতে মিলাই সাত দিনত একৈছ বাৰ খুৱাব লাগিব, তেহে এই বেমাৰ ভাল হ'ব। এই গাঁৱৰ ধনিকলালৰ বাৰীত কৃষ্ণ তুলসী আছে।"

মাণিকমালৰ পুতেক খানিক ধনিকলালৰ ঘৰলৈ গ'ল কৃষ্ণতুলসীৰ পাত বিচাৰি। শুনি ধনিকলালে ক'লে, "চোৱা, কৃষ্ণতুলসীৰ পাত ছিঙিলে পাপে ছুব। গতিকে—জানি-বুলি পাপও কইৰবাৰ ন'ৰিম, কৃষ্ণতুলসীৰ পাতও দিবাৰ ন'ৰিম—বুইছাহে বোপা। কাম এটা নকৰা কিয়? আমাৰ গাঁৱৰে মহোদবৰ দোকানত কৃষ্ণতুলসীৰ বীজ পাবা, কিনি লৈ যাবা, তোমালোকৰ বাৰীতে বীজ ছটিয়াই দিবা, গছ হ'ব পাত হ'ব—তেতিয়া পাত ছিঙি ৰস খুৱাই ভাল কৰি তুইল্বা, হৈ যাব।"

ক'তো খানিক বিচাৰি নাপাই যেতিয়া ঘৰমুৱা হ'ল, তেতিয়া বাটত এগৰাকী সন্ন্যাসীক দেখা পাই তেওঁক সকলো কথা



—অৰ্থাৎ দেউতাকৰ বেমাৰঘটিত সকলো কথা সন্যাসীক ক'লে। খানিকৰ কথাখিনি শুনাৰ অন্তত সন্যাসীয়ে খানিকক ক'লে, "শুনা ধনিকলালে কোৱা মতেই কাম কৰা।"

মহোদৰ দোকানৰপৰা কৃষ্ণতুলসীৰ বীজ কিনি আনিলে আৰু তেতিয়াই সিহঁতৰ বাৰীত ছটিয়াই দিলে। আৰু লগে লগেই সেই বীজৰপৰা গছ উপজিল, চাওঁতে চাওঁতে কৃষ্ণতুলসীৰ কেইবাজোপা পাতেৰে ভৰি পৰিল, সেই পাতৰপৰা ৰস উলিয়াই তৎক্ষণাৎ মৌৰ সৈতে মিহলাই মাণিকমালক খুউৱা হ'ল, আৰু নিমিষতে মাণিকমালৰ বেমাৰ দূৰতে বিদূৰ হ'ল।

তাৰ পাছত এদিন সেই সন্যাসী-গৰাকীয়ে পুনৰ খানিকক লগ পালে আৰু ক'লে, "এইবাৰ ধনিকলালক কোৱাগৈ যে—তেওঁৰ দিহা-পৰামৰ্শ অতি মহৎ আৰু সেইহে তোমাৰ জীৱনৰ উন্নতিৰ কাৰণেও তেওঁ তোমাক দিহা দিয়ক।"

খানিকে সন্যাসীয়ে কোৱামতেই ধনিক-লালক বিনয়বচনেৰে সকলো ক'লেগৈ।

কিন্তু খানিকৰ এনে ভাটৌ-শলাগনি-ওলগনিয়ে ধনিকৰ মনত কোনো তুষ্টিৰ সৃষ্টি কৰাৰ সলনি ঈৰ্ষাৰ জুইহে জ্বলাই তুলিলে। এতেকে—খানিকক খানিক শিকনি দিয়াৰ মনেৰে এক অসম্ভৱ দিহা দিলে, "চোৱা, কাম এটা কৰা। ঘৰত টকা-পইচা য'ত যিমান আছে, সেই কৃষ্ণতুলসীৰ ওচৰত গাঁত খান্দি পুতি দিয়াগৈ। চোৱা, সেই ধনৰপৰা গছ উপজিব আৰু সেই গছত টকা-পইচা লাগিব। তেতিয়া তোমাক পায় কোনে?"

ধনিকলালৰ ঘৰৰপৰা ঘূৰি আহি খনিকে সন্যাসীক ক'লে, "ই ধনিক হ'ল ধুমুহ মিছাৰ বেপাৰী, বদমাছৰো বদমাছ। সি মোক আমাৰ টকা-পইচাখিনি মাটিৰ তলত পুতি থ'বলৈ দিহা দিলে!"

শুনি সন্যাসীয়ে হাঁহিলে আৰু ক'লে,

"ধনিকে তোমাক যি কৈছে তাকে কৰা, মোনাই মোনাই ধন ভৰা।"

সন্ন্যাসীয়ে কোৱাত খানিকে তাকেই কৰিলে। ঘৰৰ আটাইখিনি মুদ্ৰা বাৰীত সাঁতখান্দি পুতি পেলালে। আৰু—

আৰু লগে লগে সঁচাসঁচিকৈ ধনৰ গছ এজোপা উপজিল, আৰু চাওঁতে চাওঁতে গছজোপাত ফুল হ'ল ফল হ'ল আৰু সেই ফল নিমিষতে মুদ্ৰালৈ ৰূপান্তৰিত হ'ল।

সন্ন্যাসীয়ে খানিকক ক'লে, "আজি আৰু কাইলৈ যিমান পাৰা গছৰপৰা মুদ্ৰা বুটলি লোৱা। তাৰ পাছত কিন্তু এই ধনৰ গছ নোহোৱা হৈ যাব।"

সন্ন্যাসীয়ে পুনৰ ক'লে, "শুনা, তুমি ধনিকক সঠিকভাবে মূল্যায়ন কৰিব পৰা নাই। আচলতে ধনিক হ'ল এক পুণ্যাত্মা।" এই বুলি কৈয়েই সন্ন্যাসী গুচি-গল।

সন্ন্যাসীৰ কথা শুনি খানিকৰ চক্ষু চড়কগাছ! কয় কি! ধনিক—পুণ্যাত্মা! তেনেহ'লে পাপীনো কোন?

যি কি নহওক এইবোৰ চিন্তা এৰি এইবাৰ খানিকে আৰু ঘৰৰ অন্যান্যয়ো ধনৰ গছৰপৰা বস্তাত-থৈলাত মোনাত মুদ্ৰা ছিঙি ছিঙি ভৰাবলৈ ধৰিলে।

পাছদিনা ধনৰ গাছজোপা নোহোৱা হ'ল, কিন্তু খানিকইতো ধনিক হ'ল।

এইদৰে দিনবোৰ-ৰাতিবোৰ গৈ থাকিল। এদিন নৰসিংহ নামৰ মানুহ

এজনে খানিকৰপৰা ধন ধাৰলৈ খুজিলে আৰু ক'লে, "ধনিকলাল ডাঙৰীয়া গাঁৱত নাই, কিবা কামলৈ ক'ৰবালৈ গৈছে, সেইহে তোমাৰপৰা খুজিছোঁ। মোক এশ মুদ্ৰা লাগে।"

খানিকে নৰসিংহক ক'লে, "তোমাক ধাৰ লাগিছেই যদি ধাৰ ল'বা। পিছে—সেই ধৰ্মে ঠাই নিদিয়া কিৰ্পিণটোৰ নাম লৈছা কেলেই?"

এই কথাত দমদমাই উঠি নৰসিংহই ক'লে, "কিয়হে তুমি সেই ভাল মানুহজনৰ নিন্দা কৰিছা? তুমি অতি চকুচৰহা!" এই বুলি কৈয়েই নৰসিংহ গুচি গ'ল।

তেতিয়া খানিকে ভাবিলে: ধনিকক দেখোন সকলোটিয়েই ভাল পায়। তেনেহ'লেনো সি মোক তেনেবোৰ বেয়া পৰামৰ্শ দিছিল কেলেই? মোৰেই কিবা দোষ আছেনে তেন্তে? কিন্তু—ধনিকে দেখোন আমাৰ অনিষ্ট হ'ব পৰা দিহা দিছিল। সেইবোৰ যে ফলিব—সেও নিশ্চয়ভাবিব পৰা নাছিল।—তেনেহ'লে কথানো কি?

পাছদিনা খানিকে ধনিকক ক'লেগৈ, "মই ভাবিছিলোঁ—সন্যাসীৰ অনুগ্ৰহতে সকলে পালোঁ। কিন্তু এতিয়া মোৰ জ্ঞানোদয় হ'ল সকলো কথাৰ গুৰিত যে আপোনাৰেই পুণ্যবল—"

খানিকক হাত দাঙি ৰখাই ধনিকে ক'লে, "নহয়, মোৰ নহয়, সন্যাসীগৰাকীৰ কৃপাতেই নোহোৱাবোৰো হোৱা হ'ল। মই দিহ-মোহ দেখুৱাৰ যি মজা ইমানদিন ধৰি উপভোগ কৰিছিলোঁ, সেইগৰাকী সন্যাসীয়ে মোৰ সেই ক্ষমতা মন্ত্ৰশক্তিৰে নাশ কৰি দিলে। এতিয়া মোত আৰু ধৰি অন্য বান্দৰত কোনো প্ৰভেদ নাই। এতিয়া মৰিও মাটি নাপাম যেন পাইছোঁ, বোপা! মিছা কথা যে সিচাঁ পানীৰ সমান—মূল্য দি বুজিলোঁ।"



সম্বাদ-বি-সম্বাদ

নহয় বাং বিং অন্ধইপালেগৈ টিং!

মহাৰাষ্ট্ৰৰ দহজন অন্ধ যুৱাই হিমালয়ৰ ১৭,২২০ ফুট ওখ শিতিধৰ শিখৰলৈ উঠিবলৈ ৰাওনা হ'ল আৰু তেওঁলোকৰ এই অভাৱিত প্ৰচেষ্টা সফল হ'ল। অন্ধই ইমান উচ্চ পৰ্বতৰ টিং বগাই উঠাৰ ঘটনা—পৃথিৱীত এয়ে প্ৰথম। এই দলত এজন বোবা-কলা যুৱকো আছিল। পশ্চিমবংগৰ দাৰ্জিলিঙস্থিত 'হিমালয়ান মাউনটেনিয়্যাৰিং ইনছটিটিউট'ত এওঁলোকক পৰ্বতলৈ আৰোহণৰ প্ৰশিক্ষণ দিয়া হৈছিল।

নামৰ নঘট-ঘট

চীনদেশৰ লোকসংখ্যা সম্প্ৰতে ১০৭ কোটি ২০ লক্ষ হৈছেগৈ। আৰু ইয়াৰ মাজত প্ৰায় ৭ কোটি ২০ লাখমান মানুহৰ নাম হ'ল 'বাং'। কোন বাং ক'ৰ বাং যে কোন—কেনেকৈনো জনা যাব? যোৱা ২০০০ বছৰৰপৰা চীনদেশত এক-আধবিয়া নাম চলি আহিছে। এতিয়া এই নামৰ নঘট-ঘট লগা অৱস্থাক সলাবলৈ যো-জা চলিছে। কেনেকৈনো? 'বাং-জুৰ' 'বাং ঝং' ইত্যাদিৰে—বাঙৰ লগত আং ছাং যি হয়—যোৱা লগাই। আৰু এইদৰে শ্বান্‌ৰাং অঞ্চলৰ ২,৮০০ নাম সলোৱা হ'ল; কিন্তু বৰ বেছি লাভ নহ'ল। বাকৗ—এতিয়া 'লি', 'লু' বা 'ঝাং'—যিইতৰ সংখ্যা কমেও ২৫ কোটি—সিইতক কি কৰা হ'ব?

নাওমান স্নাতক!

ইংল্যাণ্ডৰ এতিয়া আটাইতকৈ কম বয়সৰ স্নাতক হ'ল গণেশ ছিটবলম—মূলতঃ ভাৰতীয় বংশজ। যোৱা জুলাই মাহত শ্বাৰে ইউনিভাৰছিটিৰপৰা গণেশে গণিতশাস্ত্ৰত প্ৰথম শ্ৰেণীৰ অনাৰ্ছ পালে। ইয়াৰ আগতে রুত লৰেঞ্জ নামৰ ল'ৰা এটিয়ে ১৩ বছৰ ৭ মাহতে এই অনাৰ্ছ পাইছিল। গণেশে যদিও গণিতশাস্ত্ৰতে অনাৰ্ছ পাইছে, তথাপি সি গণিত পঢ়াত বৰ ইচ্ছুক নহয়। সি ১৬ বছৰ বয়সত জি. ছি. এছ. ই অৰ্থাৎ জেনেৰ্যাল ছাৰ্টিফিকেট ইন স্কুল ইগ্‌জামিনেশ্বনত উত্তীৰ্ণ হৈ ইউনিভাৰ্ছিটিত নাম লগাব খুজিছে। কেৱল মনোৰঞ্জনৰ বাবেহে সি গণিত পৰীক্ষা দিলে। ইও এক আজৰ কথা!

কানীয়া-কীৰ্তন

সদাগৰ এজনে ঘোঁৰাত উঠি দূৰণিবটীয়া নগৰ এখনলৈ ওলাল। তেওঁ গৈ গৈ এখন ডাঙৰ বজাৰ থকা গাঁও পালেগৈ। কিন্তু সেই গাঁৱতে বেলি মাৰ গ'ল যেতিয়া— সদাগৰে ভাবিলে : আজি ৰাতি ইয়াতে কাতি হ'ব লাগিব যেন পাইছোঁ। ঠিক তেতিয়াই আন্ধাৰে-মুন্ধাৰে এজন মানুহ সদাগৰৰ কাষ চাপিল আৰু সদাগৰক ক'লে, "হুজুৰ, মই হ'লোঁ এজন কানীয়া, প্ৰতিদিন মোৰ কানি খোৱাৰ অভ্যাস, কিন্তু যোৱা দুদিন ধৰি পইচা-পাতিও নাই, কানিও খোৱা নাই। ৰহম (দয়া) কৰি মোক চাৰিঅনামান পইচা দিয়ে যদি— কানি খাই কামৰি কঢ়াৰপৰা কথমপি সাৰিব পাৰোঁ।"

সদাগৰে মানুহজন চাৰিঅনা পইচা দি বিদায় কৰিলে আৰু তাৰ পাছত অলপ আগুৱাই গৈ এটা ঘৰৰ ওচৰত বৈ তাত ৰাতিছোৱা খপিবৰ কাৰণে অনুমতি প্ৰাৰ্থনা কৰিলে। গৃহস্থই অনুমতি দিলে।

গৃহস্থই অনুমতি দিয়াত সদাগৰে তেওঁৰ ঘোঁৰাটো ঘৰৰ আগত থকা খুঁটা এটাৰ লগত ৰছীৰে বান্ধি থৈ টোপনিত লাল-কাল দিলে।

ৰাতিপুৱা সাৰ পাই যেতিয়া পুনৰ নগৰলৈ বুলি ওলাবৰ হ'ল, তেতিয়া সদাগৰ কোঠাৰ বাহিৰলৈ আহিল আৰু আহি—তেওঁৰ ঘোঁৰাটো লৈ গৃহস্থই ক'ৰবালৈ যোৱা দেখা পালে।

তেতিয়া সদাগৰে ক'লে, "হেৰি—মই এতিয়াই নগৰলৈ বুলি ওলাম, মোৰ এই ঘোঁৰাটো মোক লাগেই।"

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

গৃহস্থই সদাগৰলৈ নোচোৱাকৈয়েই ক'লে, "এই ঘোঁৰাটো মোৰেই। মোৰ ঘৰৰ আগত থকা খুঁটাত নিতৌ পুৱা এটাকৈ ঘোঁৰা পাওঁ মই।"

"কি কয়! এই ঘোঁৰাটো আপোনাৰ কেনেকৈ হ'ব হেৰি? এনেকুৱা নোহোৱা-নোপোজা কথা কথা ক'ব নাপায় নহয়?"

কিন্তু গৃহস্থই যেতিয়া সদাগৰৰ কথালৈ কাণসাৰকে নকৰা হ'ল, তেতিয়া সদাগৰ বাধ্যত পৰি বিচাৰৰ বাবে সেই গাঁৱৰ গাঁওবুঢ়াৰ কাষ চাপিল।

সদাগৰৰ কথাখিনি শুনাৰ অন্তত গাঁওবুঢ়াই গৃহস্থৰপৰা কৈফিয়ৎ বিচৰাত গৃহস্থই ক'লে "হুজুৰ! মোৰ ঘৰৰ আগত যিটো খুঁটা পোতা আছে, নিতৌ ৰাতিপুৱা তাত যে এটাকৈ ঘোঁৰা ওপজে — গোটেইখন গাঁৱে সাক্ষী দিব হুজুৰ!"

তেতিয়া গাঁওবুঢ়াই সদাগৰক ক'লে, "এই ঘোঁৰাটো যে তোমাৰ—এই কথাৰ প্ৰমাণ দিব পাৰিব জানো?"

ভাবি ভাবি সেই কানীয়াৰ কথা সদাগৰৰ মনত পৰিল আৰু বহু সময় ধৰি চেষ্টা কৰি তাক বিচাৰি উলিয়ালে। তেতিয়াও কানীয়া মানুহজন নিচাগ্ৰস্ত হৈয়েই আছিল। তথাপি—সদাগৰে তাক সকলো কথা বুজাই ক'লে। কানীয়াই সদাগৰক ক'লে যে—এই কথাত সদাগৰে চিন্তিত হোৱাৰ আৱশ্যক নাই। সকলো



ঠিক হৈ যাব, তেওঁৰ ঘোঁৰা তেওঁ পাই যাব।

সদাগৰে যেতিয়া কানীয়াক গাঁওবুঢ়াৰ ওচৰলৈ লৈ আহিল তেতিয়া তাত থকা সকলোটিয়েই হো হোকৰে হাঁহি থাকিল।

গাঁওবুঢ়াই কানীয়াক সুধিলে, "কথানো কি হে? এতিয়াও নিচাতে আছা যেন পাইছোঁ। বিচাৰৰ বাবে—এটা নিচাগ্ৰস্তৰ সাখী কেনেকৈ মানি লওঁ মই?"

এই কথাৰ উত্তৰত কানীয়াই গাঁওবুঢ়াক অসংকোচে ক'লে, "নহয় হুজুৰ, মই এতিয়া নিচাগ্ৰস্ত হৈ থকা নাই। মই ৰাতিছোৱা পুখুৰী এটাত ডুবি পুখুৰীৰ পানীত জুই লগাই মাছ মাৰি আছিলোঁ। ৰাতি উজাগৰে থকা বাবেহে চকুযুৰি নিচালগা যেন লাগিছে আপোনাৰ।"

কানীয়াৰ কথা শুনি গাঁওবুঢ়াৰে সৈতে তাত থকা সকলোটিয়েই হাঃ হাঃ কৈ হাঁহিবলৈ ধৰিলে। গাঁওবুঢ়াই কানীয়াক ক'লে, "তোমাৰ কথাৰপৰাই এই কথা ওলাই পৰিছে যে তোমাক সাখী হিচাপে মানি ল'ব নোৱাৰি। পুখুৰীৰ পানীতো জুই লগাব পাৰিন? এনে নোহোৱা কথাক কেনেকৈনো মানি ল'ব পাৰি?"

তেতিয়া কানীয়াই নিৰহ নিৰহকৈ গাঁওবুঢ়াক ক'লে, "হুজুৰ! কাৰোবাৰ খুটি এটাই যদি নিতৌ এটাকৈ ঘোঁৰাৰ জনম দিব পাৰে, আৰু সেইটো কথা আমাৰ মখিয়ন গাঁওবুঢ়াই যদি মানি ল'ব পাৰে —মোৰ কথা মানি ল'ব নোৱৰাৰ কাৰণ কি ক'বনে, হুজুৰ?"

কানীয়াৰ এই কথাই গাঁওবুঢ়াৰ চকু মুকলি কৰি দিলে। কানীয়াৰ এই প্ৰশ্নৰ কোনো উত্তৰেই দিব নোৱাৰিলে গাঁওবুঢ়াই। গাঁওবুঢ়াই বৰ লাজ পালে, আৰু সদাগৰৰ ঘোঁৰাটো সদাগৰক তাৎ-মুহূৰ্তেই ঘূৰাই দিবলৈ গৃহস্থক আদেশ দিয়াৰ উপৰিও কানীয়াৰ যুক্তিপূৰ্ণ কথাৰ ভূৰি ভূৰি প্ৰশংসা কৰিলে।

বীৰ হনুমান

হনুমানে পৰ্বতত ঔষধি-বৃক্ষ বিচাৰী থাকিল। কিন্তু সেইবোৰ ঔষধি-বৃক্ষ দেখাত বে কেনেকুৱা, চিনিব নোৱাৰি, খঙতে গোটেইচৌ পৰ্বত উপাৰি লৈ বীৰ হনুমন্তই আকাশ মাৰ্গেৰে লংকালৈ বুলি ৰাওণা কৰিলে।

বিৰাট পৰ্বতক এহাতেৰে দাঙি লৈ আঞ্জনেয়ক আকাশ-মাৰ্গেদি উৰি উৰি আহি থকা দেখা পাই বানৰসব বিপুল গৰ্জন কৰি উঠিলে, আৰু আঞ্জনেয়য়ো অৰ্থাৎ হনুমানেও সগৰ্জনে তাৰ যথাযোগ্য প্ৰত্যুত্তৰ দিলে। তাৰ পাছত হনুমান আকাশমাৰ্গৰপৰা ধীৰে ধীৰে ভূতললৈ নামি আহিল আৰু বানৰ বীৰসকলৰ সৈতে নমস্কাৰ-বিনিময় কৰি বিভীষণক বুকত আঁকোৱালি ল'লে।

উপাৰি লৈ অহা পৰ্বতত থকা ঔষধি-বৃক্ষৰপৰা বায়ু-বাহিত গন্ধৰদ্বাৰা ৰাম-লক্ষ্মণ সুস্থ হৈ উঠিল আৰু লগতে অসংখ্য আহত বানৰও সুস্থ হ'ল। এইবোৰ অদ্ভুত ৰোগনিৰাময়কাৰী ঔষধিবৃক্ষৰ প্ৰভাৱেৰে আনকি কিছুমান মৃত বানৰেও তৎক্ষণাৎ জীৱ ঘূৰাই পালে।

এই ৰণথলীত কিছু সময়ৰ আগতেও পৰি থকা অসংখ্য সেয়াকৈ আহত আৰু মৃত ৰাক্ষসেও নিশ্চয় এই ঔষধি-বৃক্ষৰ প্ৰভাৱেৰে জীৱ ঘূৰাই পালেহেঁতেন; কিন্তু মহাৰাজ ৰাৱণৰ আজ্ঞানুসাৰে সেই

'ইন্দ্ৰজিতৰ হোম'



বেয়াকৈ আহত আৰু মৃত ৰাক্ষস-সৈন্যহঁতক সাগৰৰ বুকুলৈ নিক্ষেপ কৰাত আহত ৰাক্ষসসৈন্যসকল সেই সুবিধাৰপৰা সম্পূৰ্ণ বঞ্চিত হ'বলগা হ'ল।

যি কি নহওক — ঔষধিবৃক্ষৰদ্বাৰা আহত বানৰসকলক পুনৰূপে সুস্থ কৰি তোল হ'ল আৰু সেই অত্যদ্ভুত গুণসম্পন্ন ঔষধি-বৃক্ষৰদ্বাৰা কৰণীয় কাৰ্য্য পৰিপূৰ্ণ হোৱাৰ অন্তত হনুমানে পুন আকাশ-মাৰ্গেদি উৰি গৈ সেই ঔষধি-বৃক্ষ সমন্বিত পৰ্বতক পুনৰ যথাস্থানত থৈ আহিলগৈ।

তাৰ পাছত সুগ্ৰীৱে হনুমানক ক'লে, "কুম্ভকৰ্ণৰ মৃত্যু হ'ল। ৰাৱণ-পুত্ৰও মৰিল। এই কাৰণে ৰাৱণ আৰু ৰণ দিবলৈ নহা হ'ল। এয়ে হ'ল আমাৰ পক্ষে সোণালী সুযোগ। আজি ৰাতি বানৰবীৰ সকলে জোঁৰ জ্বলাই লৈ লংকাপুৰীৰ অভ্যন্তৰলৈ যাওক আৰু লংকাপুৰী ছাৰখাৰ কৰক—এয়ে মোৰ ইচ্ছা।"

সূৰ্য্যাস্ত হ'ল, আৰু চাৰিওদিশত নিমজ অন্ধকাৰ ঘনীভূত হৈ আহিল। আৰু ঠিক তেতিয়াই, বিৰাট বিৰাট জোঁৰ জ্বলাই লৈ বানৰবীৰসৱে লংকাপুৰীৰ অভ্যন্তৰলৈ সোমাবলৈ ওলাই পৰিল।

লংকাপুৰীৰ দ্বাৰদেশত পৰ দি ৰৈ থকা ৰাক্ষস-পৰীয়াহঁতে জ্বলন্ত জোঁৰ হাতত থকা বানৰসৈন্যক দেখা পাই দ্বাৰদেশ এৰি দৌৰি পলাল। তেতিয়া বানৰক বাধা দিওঁতা লংকাপুৰীত আৰু কোনো নাই। বিনা বাধাৰেই বানৰহঁতে লংকাপুৰীৰ ঘৰে ঘৰে প্ৰকোষ্ঠে প্ৰকোষ্ঠে জুই লগাই থাকিল। কিমান যে ঘৰ জ্বলিল—কিমান যে দ্ৰব্য-সামগ্ৰী পুৰি ভস্ম হ'ল তাৰ সীমা-সংখ্যা পাবলৈ নাই, কিমান যে ৰাক্ষস-ৰাক্ষসী পুৰি মৰিল তাৰো হিচাপ পাবলৈ নাই। বানৰৰ হৰ্ষ-নিনাদ আৰু মৃত্যুপথযাত্ৰী ৰাক্ষস-ৰাক্ষসীৰ আৰ্তনাদে লংকাপুৰীৰ আকাশ-বতাহ কঁপি কঁপি উঠিল, মথিত-ব্যথিত হৈ থাকিল।

কিন্তু তথাপি, এনে অৱস্থাতো ৰাক্ষসহঁত পুনৰ যুদ্ধৰ বাবে সাজু হ'ল।

সুগ্ৰীৱে বানৰ সকলৈ আদেশ প্ৰদান কৰিলে ৰাৱণৰ নিজস্ব কক্ষলৈ গৈ প্ৰাণপণ ৰণ দিবলৈ। লগে লগে বানৰ-বীৰসৱে তৌ তোৱা জ্বলন্ত জোঁৰ হাতত লৈ ৰাৱণৰ কক্ষলৈ বুলি আগুৱাই গ'ল।



নিজ-কক্ষৰ দ্বাৰদেশত বানৰবিলাকক দেখা পাই মহাৰাজ ৰাৱণ অগ্নিমূৰ্তি হৈ উঠিল আৰু তৎমুহূৰ্তেই কুম্ভকৰ্ণ-পুত্ৰ কুম্ভ আৰু নিকুম্ভক বানৰহঁতৰ বিৰুদ্ধে ৰণ দিবলৈ প্ৰেৰণ কৰিলে। কুম্ভ-নিকুম্ভৰ সৈতে যুপাক্ষ, শোণিতাক্ষ, প্ৰজঙ্ঘ, আৰু কম্পন নামৰ ৰাক্ষসবীৰো ওলাল।

দুয়ো পক্ষৰ মাজত নাই ৰঙামাটি নাই গুৱাহাটীকৈ লাগি পৰিল আৰু চাওঁতে চাওঁতে অংগদে কম্পনক মুহূৰ্ততে বধিলে। তাৰ পাছত অংগদে শোণিতাক্ষৰ তৰোৱাল কাঢ়ি ল'লে আৰু সেই তৰোৱালেৰেই তাক ঘপিয়াই দুছোৱা কৰি পেলালে। তাৰ পাছত অংগদে আন এজন ৰাক্ষসবীৰক বধিবলৈ আগ বাঢ়িল। অংগদে প্ৰজঙ্ঘকো বধিলে। ৰাক্ষসবীৰ যুপাক্ষক বিৰাট বানৰবীৰ মৈন্দ্যই মাৰি ভৈয়াম কৰিলে।

ইপিনে—কুম্ভৰ বিৰুদ্ধে ৰণ দি থকাতে অংগদ মূৰ্ছিত হৈ পৰিল—হেন কথা শুনি ৰামচন্দ্ৰই অংগদক সহায় কৰাৰ বাবে জাম্বৱান প্ৰমুখক পঠালে। কিন্তু কুম্ভৰ বাণৰ বৃষ্টিধাৰাৰ মাজেদি আগ বঢ়াটো বৰ সহজ কথা নাছিল।

যিহওক সুগ্ৰীৱে কুম্ভৰ বাণ-বৃষ্টিলৈ উপেক্ষা প্ৰদৰ্শন কৰিয়েই আগুৱাই গৈ থাকিল আৰু এসময়ত কুম্ভৰ নিচেই কাষ চাপি গৈ কুম্ভৰ ধনু ভাঙি দিলে। তাৰ পাছত সুগ্ৰীৱ আৰু কুম্ভৰ মাজত তয়াময়া মল্লযুদ্ধ আৰম্ভ হ'ল আৰু সেই মল্লযুদ্ধতে কুম্ভৰ মৃত্যু হ'ল।

ককায়েকৰ মৃত্যুৱে নিকুম্ভক অতিপাত

উত্তেজিত করি তুলিলে আৰু এক বিৰাটাকাৰ গদা শূন্যলৈ ঘূৰাই ঘূৰাই নিকুম্ভই হনুমানলৈ দলিয়াই পঠালে।

হনুমানৰ বুকত ঠেকা খাই সেই বিৰাটাকাৰ গদা দ্বিখণ্ডিত হ'ল, কিন্তু হনুমানও বেয়াকৈ আহত হ'ল। তাৰ পাছত ক্রুদ্ধ হনুমানে নিকুম্ভৰ বুকত বিৰাট এক ঘোচা মাৰি দিলেগৈ।

এই ঘোচা খাই—তেজ বঁতিয়াই নিকুম্ভ মূৰ্ছিত হৈ পৰিছিল কিন্তু পুনৰ চেতনা ঘূৰাই পাই হনুমানৰ বিৰুদ্ধে বীৰতাৰে যুঁজি থাকিল। এছেগত হনুমানে নিকুম্ভৰ ডিঙিত থাপ মাৰি ধৰি তাক শূন্যলৈ দাঙি বহু দূৰলৈ দলিয়াই পেলালে আৰু তাৰ ফলত নিকুম্ভই নৰকলৈ বুলি বাট ল'লে।

কুম্ভ-নিকুম্ভৰ মৃত্যু-সম্বাদ শ্রৱণান্তে ৰাৱণে খৰ-পুত্র মকৰাক্ষক যুদ্ধলৈ বুলি প্রেৰণ কৰিলে।

মকৰাক্ষই শ্রীৰামচন্দ্রৰ বিৰুদ্ধে যুঁজি মৰি থাকিল। আৰু এই মৃত্যু-বাতৰি পাই মহাৰাজ ৰাৱণ উন্মাদপ্রায় হৈ উঠিল।

আৰু উন্মাদ মহাপ্রতাপী মহাৰাজ ৰাৱণে তৎমুহূর্ত্ততে পুত্র ইন্দ্রজিতক ৰণলৈ ওলাবলৈ আদেশ দিলে।

ইন্দ্রজিত হয়তো ৰণলৈ সাজু হৈয়েই আছিল। মহাৰাজ ৰাৱণৰ আদেশ পোৱামাত্রেই ইন্দ্রজিত ৰথত উঠি ৰণ-ভূমিলৈ বুলি ৰাওনা কৰিলে।

ইন্দ্রজিতে ৰণভূমিলৈ যোৱাৰ আগতে যজ্ঞভূমি, পালেগৈ যজ্ঞভূমি পাই ইন্দ্রজিতে যি 'হোম' পাতিলে, সেই 'হোম' আছিল বিচিত্র ধৰণৰ 'হোম'।

এই 'হোম'ত ইন্দ্রজিতে কিচকিচ কৰে ক'লা পঠা বলি হিচাপে অগ্নি-দেৱতালৈ উছর্গিলে। বিজয়সূচক ধোঁৱাবিহীন হোমাগ্নি প্রজ্জ্বলিত হৈ উঠিল আৰু ইন্দ্রজিতে দেৱ-দানৱ-ৰাক্ষসৰ নামত যথা-বিধি তর্পণ কৰিলে। তাৰ পাছত, অদৃশ্য

হোৱাৰ পূৰ্ণশক্তি নতুনকৈ লভি পুনৰ ৰথোপৰি আৰোহণ কৰিলে। তেতিয়া সেই ৰথ সূৰ্য্যৰ দৰেই উজলি আছিল।

এইদৰে, অন্তৰ্হিত-অদৃশ্য হৈ ইন্দ্ৰজিতে ৰণভূমি পালেহি। তেওঁ বানৰসেনাৰ মাজত থকা ৰাম-লক্ষ্মণক চিনি পালে আৰু তেওঁলোকলৈ বৃষ্টিধাৰাৰ দৰে বাণ নিক্ষেপ কৰিবলৈ ধৰিলে। ৰাম-লক্ষ্মণে ইন্দ্ৰজিত-নিক্ষিপ্ত বহু সংখ্যক বাণ খণ্ড-বিখণ্ড কৰিলে, কিন্তু ইন্দ্ৰজিতৰ বাণাঘাতেৰে অসংখ্য সংখ্যক বানৰ-সৈন্য তৎক্ষণাৎ মৃত্যুৰ কোলাত বাগৰি পৰিল।

এই দৃশ্য চাই লক্ষ্মণৰ গাত জুই লাগিল। লক্ষ্মণে তেওঁৰ জ্যেষ্ঠভ্ৰাতা ৰামচন্দ্ৰক ক'লে, "মই ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰি ৰাক্ষসকুল নিৰ্বংশ কৰি পেলাম।"

কিন্তু ৰামচন্দ্ৰই লক্ষ্মণৰ এই প্ৰস্তাৱত সন্মতি নিদিলে আৰু ক'লে, "কোনোবা এজন দুষ্টমতি ৰাক্ষসৰ কাৰণে সকলো ৰাক্ষসক বধ কৰাৰ কোনো যুক্তি নাই, ই অশোভনীয় কাৰ্য্য। আমি মাত্ৰ ইন্দ্ৰজিতক বধ কৰাৰ দিহা ল'ম। আৱশ্যক হ'লে আমি দিব্যাস্ত্ৰ প্ৰয়োগ কৰিম।"

ইতিমধ্যে ইন্দ্ৰজিতে এক আচৰিত আঁচনি পাতিলে আৰু হঠাৎ ৰণথলী এৰি লংকাপুৰীলৈ বুলি ঢাপলি মেলিলে। তাৰ পাছত—মায়া-সীতাৰ সৃষ্টি কৰি ৰথত বহুৱাই লৈ পুনৰ ৰণথলী পালেহি। ইন্দ্ৰজিতে ৰাম-লক্ষ্মণৰ চকুৰ আগত মায়া-সীতাক বধ কৰি তেওঁলোকক বিচলিত-বিপৰ্য্যস্ত কৰি তোলাৰ আশা কৰিলে।

ইন্দ্ৰজিতক ৰণভূমিলৈ উভতি অহালৈ চাই ক্ৰুদ্ধ হনুমানে বিৰাট শিল এচটা ইন্দ্ৰজিতলৈ নিক্ষেপ কৰিবলৈ আগুৱাই গৈ থাকিল। হনুমানৰ পিছে পিছে অন্য কিছুমান বানৰবীৰও গৈ থাকিল।

কিন্তু ৰথৰ ওপৰত হনুমানে কেৱল খীণাই-শুকাই যোৱা সীতাকহে দেখা পালে, ইন্দ্ৰজিতক দেখা নাপালে।

দুঃখিনী সীতাক দেখা পাই হনুমানৰ চকুলো ওলাল। হনুমানে কোনোবা এজন বানৰবীৰক সুধিলে, "ইন্দ্ৰজিতে সীতা-মাতৃক ৰথেৰে এই ৰণভূমিলৈ কিয় লৈ আহিল ক'ব পাৰানে ?"

ইপিনে—বানৰ বীৰসকলক আগ বাঢ়ি আহা দেখি ইন্দ্ৰজিতে তেওঁৰ তৰৱাৰি মায়া-সীতাৰ ডিঙিৰ উপৰত থৈ দিলে আৰু সীতাৰ চুলিকোচাত মুঠি-মাৰি ধৰি মাৰিবলৈ ধৰিলে।

হনুমানে ইন্দ্ৰজিতক ক'লে, "ৰে দুষ্ট ! ৰে পাপী ! তুমি যি জঘন্য কাৰ্য্য কৰিছা —কোনো প্ৰকৃত পুৰুষে সেই কাৰ্য্য কৰিব পাৰে বুলি জগতে আগে কদাপি নাজানি-ছিল। তোমাৰ মৃত্যু সমাসন্ন। তুমি যিমানেই ক্ষমতাশালী নোহোৱা, তোমাক অতি শী.ঘ্ৰই যমৰ আলহী কৰিম।"

তেতিয়া ৰাক্ষস সেনাইঁতে ইন্দ্ৰজিতলৈ ঢপলিয়াই অহা অসংখ্য বানৰসেনাক বাধা দি আছিল। ইন্দ্ৰজিতে হনুমানক ক'লে, "এইজনী সীতাৰ কাৰণেই আমাৰ ইমান আহুকাল হৈছে। এইক তোমালোকৰ চকুৰ আগত তিল তিলকৈ বধিম। স্ত্ৰীবধ যুদ্ধসম্মত নহয় বুলি তোমালোকে ক'বা, জানো। কিন্তু যুদ্ধত দৰাচলতে কোনো নীতি-নিয়ম নাই। শত্ৰুৰ মনত ভীতিৰ সঞ্চাৰ কৰাটো যুদ্ধৰ ন্যায়ধৰ্ময়েই। যুদ্ধ কালত যিকোনো আচৰণ সমৰ্থনীয়।"

এইদৰে কোৱাৰ অন্তত ইন্দ্ৰজিতে তৰৱাৰিৰে মায়া-সীতাক কাটি দুছোৱা কৰি পেলালত ভয়ৰ কোবত সকলো বানৰেই থালীভগা জুয়ে খেদা খোৱাৰ দৰে দৌৰি পলালৈ ধৰিলে।

তেতিয়া হনুমানে পলাবলৈ ধৰা বানৰইঁতক উদ্দেশি ক'লে, "তোমালোকৰ ৰণ-কুশলতা তথা পটুতা বা কাৰ্য্যদক্ষতাৰ আজি এনে অৱস্থা হ'ল কিয় ? প্ৰকৃত বীৰে কদাপি ৰণভূমিৰপৰা হোঁহকা দিয়েনে ?" এই বুলি কৈ, হনুমানে বানৰ-



সকলক পুনৰ যুদ্ধক্ষেত্ৰলৈ ওভোতাই লৈ আহিল, আৰু তেতিয়া ৰাক্ষসে-বানৰে মহাযুদ্ধ চলি থাকিল।

হনুমানে ইন্দ্ৰজিতৰ ৰথৰ ওপৰলৈ এক প্ৰকাণ্ড শিলা সজোৰে দলিয়াই মাৰিলে। ইন্দ্ৰজিতৰ ৰথৰ সাৰথিয়ে এই প্ৰচণ্ড তথা প্ৰকাণ্ড শিলাৰ আঘাতৰপৰা ৰথখনক কথমপি ৰক্ষা কৰিলে, কিন্তু ৰথৰ তলত থকা অসংখ্য সংখ্যক ৰাক্ষস শিলাঘাতেৰে শিলীভূত হ'ল।

তাৰ পাছত হনুমানে বানৰ সকলক উদ্দেশি সখেদে আৰু সাশ্ৰুনয়নৰে ক'লে, "আমি যি কাৰণে এনে দূৰৱৰ্তী ৰাক্ষস-ৰাজ্য পাইছিলোঁহি, সেই কাৰণৰ অন্ত পৰিল, আমাৰ আৰাধ্যা দেৱী সীতামাতৃক মহাদুষ্ট ইন্দ্ৰজিতে বধিলে। গতিকে—এতিয়া আৰু ৰাক্ষসকুল নিধন কৰি আমাৰ লাভ নাই। ব'লা, আমি এতিয়া শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ উভতি যাওঁ।"

চাওঁতে চাওঁতে লাখ-বিলাখ বানৰ-সেনা শ্ৰীৰামচন্দ্ৰৰ ওচৰলৈ আহিল আৰু হনুমানে সীতাৰ মৃত্যু-সম্বাদ প্ৰদান কৰাত ৰামচন্দ্ৰ মূৰ্ছিতপ্ৰায় হৈ পৰিল।

তেতিয়া বিভীষণে কৈ উঠিল, "হে ৰাম! এই সম্বাদৰ সত্যতা সম্বন্ধে সন্দেহৰ অৱকাশ আছে। সীতাদেৱীক ওভোতাই দিবলৈ বাৰে বাৰে অস্বীকৃত হোৱা ৰাৱণৰজাই সীতাদেৱীক বধ কৰিবলৈ ইন্দ্ৰজিতক আজ্ঞা দিছিল বুলি বিশ্বাস কৰা টান। ইন্দ্ৰজিতে কিজানি কৌশল কৰি মায়া-সীতাৰ সৃষ্টি কৰি আমাৰ মনত বিভ্ৰান্তিৰ সৃষ্টি কৰিবলৈ সচেষ্ট হৈছিল। ইন্দ্ৰজিতে এতিয়া নিকুম্ভিল নামৰ ঠাইত ব্ৰহ্মাৰপৰা অমৰত্বৰ বৰ বিচাৰি হোম-যজ্ঞ পাতিছে বুলি এইমাত্ৰ শুনিলোঁ। গতিকে—অনতিপলমে এতিয়াই তালৈ গৈ ইন্দ্ৰজিতৰ এই হোম-যজ্ঞ অৱশ্যেই বিনষ্ট কৰিব লাগিব।"

বিচিত্ৰ ঘটনা

উদয়ভানু নামৰ যুৱক এজন আছিল বজ্ৰনাথ নামৰ গাঁৱৰ বেপাৰী।

এদিন দৈমাৰী গাঁৱত এখন বিয়া পতা হৈছিল, সেই বিয়াত যোগ দিবলৈ উদয়ে ভাড়ালৈ লোৱা গাড়ী এখনত উঠি দৈমাৰী গাঁৱলৈ বুলি যাত্ৰা কৰিলে।

গৈ গৈ এডৰা অটব্য হাবি পালেগৈ। এই হাবিৰ মাজেদিহে যাব লাগিব। চাওঁতে চাওঁতে গাড়ীখন হাবিৰ মাজলৈ সোমাই গ'ল।

হাবিৰ মাজেদি গৈ থাকোঁতে গাৰোৱানৰ সৈতে তাৰ চিনাকি মানুহ এজনৰ দেখাদেখি। মানুহজনে গাৰোৱানক ক'লে যে পগলাচণ্ডী গাঁৱলৈ ঘৰ-সজা কাম কৰিবলৈ গৈ তাৰ— অৰ্থাৎ সেই গাৰোৱানৰ দেউতাক মৰিল, গতিকে— সি এতিয়াই অনতিপলমে পগলাচণ্ডী গাঁৱলৈ যাব লাগে।

কথাটো শুনামাত্ৰেই গাৰোৱানটোৱে গাড়ীৰপৰা জাঁপ মাৰি নামিল আৰু উদয়ভানুলৈ মিনতিভৰা চকুৰে চালে।

উদয়ভানুৱে গাৰোৱানৰ দেউতাকৰ মৃত্যুত দুঃখ প্ৰকাশ কৰিলে কিন্তু তাক দৈমাৰী গাঁৱলৈ পৌছাই দিহে তালৈ গুচি যাবলৈ ক'লে।

তেতিয়া গাৰোৱানৰ চিনাকি মানুহজনে উদয়ভানুক ক'লে, "ডাঙৰীয়া, আপুনি এই বৰগছজোপাৰ তলত অলপ জিৰাওক, আপোনাৰ কাৰণে আন এখন গাড়ী এতিয়াই পঠাই দিছোঁ।"

এই বুলি কৈ, উয়দভানুক নমাই থৈ দুয়ো গাড়ীখনৰে সৈতে গুচি গ'ল।

খনিন খাটনিয়াৰ



বৰগছৰ তলত বহি জিৰণি লৈ থাকোঁতেই উদয়ভানুৱে টোপনিত লাল-কাল দিলে।

হঠাৎ কিহবাৰ শব্দত সি টোপনিৰপৰা সাৰ পাই গ'ল। বৰষুণ—বৰষুণ! চাৰিওফালে এন্ধাৰ চাপি আহিল। ক'ত গাড়ী! গাড়ীৰ কোনো দেখাদেখিয়েই নাই। তেতিয়াও বৰষুণে মূৰ্তি ধৰা নাছিল, এইবাৰ ধাৰাসাৰে নামিল।

আৰু লগে লগে উদয়ভানুৱেও ক'ৰবাত আশ্ৰয় বিচাৰি দৌৰি দৌৰি গৈ থাকিল।

এনেতে কিছু দূৰৈত এটা ভগা-উৰঁলা মন্দিৰ উদয়ে দেখা পালে, আৰু সেই পিনে দৌৰিলে। সেই মেঘে গাজি থকা অটব্য হাবিত কোনোবাই কাৰোবাক চিঞৰি মতা যেন শুনি উদয়ে একপ্ৰকাৰে ভয় খায়েই ৰৈ দিলে।

সেই মন্দিৰৰ চোতালতে এজন ওখ-পাখ মানুহ থিয় হৈ আছিল। মানুহজনে হাত-বাউল দি উদয়ক মাতিলে আৰু ক'লে, "হেৰি, মোক আপুনি ভূত-প্ৰেত বুলি নাভাবিব। মোকো বৰষুণে ধৰাত ইয়াত আশ্ৰয় লৈছোঁহি। আহক—আহক, দৌৰি আহি যাওক।"

মনৰ সন্দেহ মনতে সামৰি থৈ উদয় গ'ল তালৈ, মন্দিৰৰ এচুকত আশ্ৰয় ল'লে। এই মানুহজনে এটুকুৰা ঠাইলৈ আঙুলিয়াই ক'লে, "আহক, ডাঙৰীয়া, এইখিনিতে বহকহি! মোৰ হ'ল নাম চন্দ্ৰকিশোৰ. মই কিবা. চাকৰি-বাকৰি বিচাৰি এঠাইলৈ যাওঁতে এই বিপদ। বহক, বহকহি ইয়াত—এইখিনিতে বহক।"

মানুহজনৰ আচাৰ-আচৰণত উদয়ভানু পৰিতুষ্ট হ'ল। উদয়ে ক'লে, "মোৰ নাম উদয়—উদয়ভানু। বজ্ৰনাথ গাঁৱত মোৰ ঘৰ। তাত মোৰ ডাঙৰ দোকান আছে।" মানুহজন নিমাতে থাকিল. বৰষুণ দিয়েই থাকিল. আৰু বহুতো পৰলৈকে দুয়ো

বৰষুণৰ শব্দ শুনি থাকিল।

বহু সময়ৰ পাছত চন্দ্ৰকিশোৰে কৈ উঠিল, "এনেকুৱা নেৰানেপেৰা-সঁতাধৰা বৰষুণৰ শব্দ শুনি মনত অদ্ভুত অদ্ভুত ভাৱ-চিন্তাই মূৰ দাঙি উঠে। আপোনাৰ জীৱনৰ কোনো বিচিত্ৰ অনুভূতিৰ কথা আছে যদি—কওকচোন আমনিলগা একঘেঁয়েমিৰপৰা আমি মুক্তি পাম।"

এইদৰে বৰষুণৰ কবলত পৰি জুপুকা মাৰি বহি থকাত উদয়ৰো আমনিয়েই লাগিছিল। সেই কাৰণেই—চন্দ্ৰকিশোৰৰ কথাষাৰ উদয়ৰো মনঃপুত হ'ল আৰু সি লাহে লাহে কৈ থাকিল, "মোৰ বয়স—এতিয়া ত্ৰিছ বা দুই-এবছৰমান বেছিও হ'ব পাৰে। কিন্তু মোৰ জীৱনত কোনো ধৰণৰ অদ্ভুত বা বিচিত্ৰ অনুভূতিমূলক ঘটনা—ঘটা নাই বুলিয়েই ক ব পাৰি। বা হওক, এটা ঘটনা ঘটিছিল; কিন্তু সেই ঘটনা বিচিত্ৰ হয়নে নহয়—কোৱাটো—মোৰ পক্ষে মস্কিল।"

এই ঘটনাৰ সম্পৰ্কে উদয়ভানুৱে যি কৈছিল, তাৰ সাৰমৰ্ম হ'ল:

তেতিয়া উদয়ভানু চহৰত থাকি লিখা-পঢ়া কৰিছিল। তাত ৰাজেশকুমাৰ নামৰ তাৰ এজন বন্ধু আছিল। মাজত কিছুদিনৰ বাবে উদয়ভানুৱে পঢ়ালিখা



এৰি তাৰ দেউতাকৰ কাৰবাৰত সহায়—কৰিবলৈ লৈছিল। তথাপি সি মাজে-মধ্যে চহৰলৈ গৈছিল আৰু ৰাজেশকুমাৰক লগ কৰিছিল।

এইদৰে এবাৰ চহৰলৈ গৈ উদয়ভানুৱে ৰাজেশকুমাৰক লগ ধৰাত ৰাজেশকুমাৰে উদয়ক ক'লে, "বন্ধু, মই এতিয়া দৰা চাবলৈ ওলাইছোঁ মোৰ ভনীজনীৰ কাৰণে। কথা হ'ল—তেওঁলোকে দহ হেজাৰ মুদ্ৰা নগদে যৌতুক দাবী কৰিছে—ইপিনে—মোৰ দেউতাৰ ওচৰত ক'বলৈ গ'লে প্ৰায় একোৱেই নাই।"

উদয়ে তাৰ বিমবিম হৈ পৰা বন্ধু

ৰাজেশক ক'লে, "চিন্তা নকৰিবা। এইখিনি মুদ্ৰা মই তোমাক দিম, আৰু তুমি যেতিয়া পাৰিবা মোক ঘূৰাই দিবা, হৈ যাব।"

এই বুলি কৈ, ঘৰলৈ ঘুৰি আহি, উদয়ে তাৰ দেউতাকক কথাটো কোৱাত দেউতাকে ক'লে, "মই তোমাক এইদৰে গাঁঠিৰ ধন উৰাবলৈ দিব নোৱাৰোঁ। তেতিয়া আমি দেৱলীয়া হৈ পৰিম।"

কিন্তু উদয়ভানুও ইমান সহজতে নদমিল। যেনেকৈয়েই নহওক—বন্ধুক দিয়া কথাৰ মৰ্য্যাদা ৰাখিব।

তাৰ এনে আঁকোগজা ভাব দেখি তাৰ দেউতাকে অৰশেষত উপায় এটা দিলে। তেওঁ উদয়ক ক'লে, "প্ৰায় বিছ বছৰৰ আগতে ৰামাদীন নামৰ মোৰ বন্ধু এজনে মোৰপৰা পাঁচ হেজাৰ মুদ্ৰা ধাৰলৈ লৈছিল বেপাৰ কৰিবলৈ। সূতে-মূলে এতিয়া কমেও চাৰিগুণ হ'ল। এইখিনিৰ-পৰা তুমি যদি দহ হেজাৰ আদায় কৰিব পাৰা, তেতিয়া তোমাৰ বন্ধুক দিয়াত মোৰ কোনো আপত্তি নাই।"

এই কথা কৈ উদয়ৰ দেউতাকে তেওঁ বন্ধু ৰামাদীনৰ গাঁৱৰ ঠিকনা কৈ দিলে।

গৈ গৈ উদয়ভানুৱে যেতিয়া ৰামাদীনৰ ঘৰ পালেগৈ, তেতিয়া অলপ আঁতৰৰপৰা তাত মানুহ-মুনিহৰ সৰুসুৰা জুম এটি দেখা পাই অতি খৰ খোজেৰে তালৈ গ'ল, আৰু তাত সেইদিন-সেইক্ষণতে ৰামাদীনৰ মৃত্যু হোৱা বুলি শুনি ঠৰ লাগিল। ৰামাদীনৰ মৃতদেহৰ কাষত বহি বহি ৰামাদীনৰ জীয়েক যুৱতী ভানুমতীজনী হুৰাওৱাৰে কান্দি আছিল।

উদয়-ভানুৰ চিনাকি পাই ৰামাদীনৰ আত্মীয়, এজনে কৈ উঠিল, "বোপা, তোমাক স্বয়ং তেৰায়েই আজি ইয়ালৈ পঠালে বোধকৰোঁ। তুমি পাৰা যদি—দাহ কাৰ্য্যত সহায় কৰা। আমিও হাত উজান দিম, পিছে—আমাৰ হাতত—সিমান পইচা-পাতিহে নাই।"

উদয়-ভানুৱে এই কথা শুনি দেখদেখকৈ বুজি পালে যে—'নিজৰ' বোলা, 'আপোন' বোলা ৰামাদীনৰ কোনো নাই—কেৱল এই ছোৱালীজনী বাদে। উদয়-ভানুৱে নিজৰ জেপৰ ধন ভাঙি ৰামাদীনৰ সৎকাৰ-কাৰ্য্য কৰালে—আৰু তাৰ পাছত সি ঘৰমুৱা হ'বলৈ লওঁতেই ৰামাদীনৰ জীয়েক ভানুমতীয়ে হাত যোৰ কৰি ক'লে, "আপুনি কোন মই নাজানো, কিন্তু আপুনি যে বিপদবন্ধু—সেই কথা মই জীৱনতো নাপাহৰোঁ।" ভানুমতীৰ চকুৰপৰা লোতক বাগৰি আহিল।

উদয়ে চিন্তিতভাৱে ক'লে, "কিন্তু তুমি—তুমি আগলৈ অকলে ইয়াত থাকিবানো কেনেকৈ? খাবানো কি? তুমি বৰঞ্চ—মোৰে সৈতে আমাৰ ঘৰলৈকে ব'লা।"

ভানুমতী উদয়ৰ প্ৰস্তাৱত সন্মত হ'ল, কিন্তু গাঁৱৰ ৰাইজ অসন্মত। এইদৰে অজান-অচিনাকি কোনোবা এজন ডেকাৰ লগত গাঁৱৰ ছোৱালী এজনীক ৰাইজে যাবলৈ দিব নোৱাৰে। সেয়া হ'ব গোটেইখন গাঁৱৰে অপমান।

তেতিয়া উদয়ভানুৱে গাঁৱৰ ৰাইজৰ অনুমতি আৰু ভানুমতীৰ সন্মতিক্ৰমে ভানুমতীক সিদিনাই তাতেই বিয়া কৰালে আৰু তাৰ পাছতহে ভানুমতীক লৈ ঘৰলৈ বুলি খোজ ল'লে।

শুনি চন্দ্ৰকিশোৰে কৈ উঠিল, "অতি বিচিত্ৰ! অতি বিচিত্ৰ ঘটনা! যিকোনো সাধু কথাতকৈও সুন্দৰ শ্ৰুতিসুখকৰ তথা বিস্ময়কৰ এই অত্যদ্ভুত ঘটনা!"

চন্দ্ৰকিশোৰৰপৰা প্ৰশংসা পাই উদয়ভানুৱে পৰিতুষ্টিৰে সুধিলে, "এতিয়া—তোমাৰ-জীৱনৰ কিবা ঘটনা—।"

চন্দ্ৰকিশোৰে উদাস কণ্ঠেৰে ক'লে, "মোৰোনো আৰু জীৱন হ'লনে? মই এটা নিবন্ধুৱা—তাতকৈ অধিক বিচিত্ৰ ঘটনা মোৰ এই জীৱনত নাই। পাৰে যদি

—দয়া কৰি মোক যেই কোনো কাম এটাত মকৰল কৰক—মই ওৰে জীৱনলৈ ধকৰা হৈ থাকিম।”

শুনি উদয়-ভানুৰ মুখখন কিছু ক'লা পৰিল। সি কিছু বিৰক্তিৰেই ক'লে, “সদায় সকলোতে সকলোকে যদি চাকৰি দিব লাগে—তেনেহ'লে মোৰ কাৰবাৰ ধোঁৱাচাঙত উঠিব।”

ঠিক তেতিয়াই বিপৰীত ফালৰপৰা গৰুৰ গাড়ী এখন আহিল, আৰু তাত উঠি উদয়ভানু গুচি গ'ল দৈমাৰী গাঁৱলৈ।

পাছদিনা যেতিয়া দৈমাৰী গাঁৱৰ বিয়া-ঘৰৰপৰা উদয়ভানুৱে ধলপুৱাতে ঘৰ পালেহি, তেতিয়া অতি আনন্দৰে ঘৈণীয়েক ভানুমতীয়ে ক'লে, “আপোনাৰ বন্ধু ৰাজেশকুমাৰ আমাৰ ঘৰতে আছেহি। সৌ পচিমফালৰ কোঠাটোত শুই আছে —তাতে চাওকগৈ।”

শুনি অত্যন্ত ভাল পাই উদয়ভানু সেইটো কোঠালৈ গ'ল কিন্তু তাত কাকো দেখা নাপালে। বিছনাৰ ওপৰত চিঠি এখন পৰি আছিল উদয়ভানুৰ নামত। চিঠিখনত লিখা আছিল ঃ

“উদয়ভানু মহোদয়!

মই ৰাজেশকুমাৰ নহওঁ, চন্দ্ৰকিশোৰ। কিন্তু আপুনি অৰণ্যত বহি সঁতা ধৰা বৰষুণৰ দিনা মোক ৰাজেশকুমাৰৰ যি কাহিনী কৈছিল, সেই কাহিনীৰ গইনা লৈ আপোনাৰ ধৰ্মপত্নীক মই নিজক ৰাজেশকুমাৰ বুলি পতিয়ন নিয়াই ব্যৱসায় কৰাৰ মনেৰে, আপোনালোকৰ চন্দুকৰপৰা অতি সামান্য দহহেজাৰ মুদ্ৰা লৈ গ'লোঁ। আপোনাক কথা দিছোঁ, অহা পাঁচ বছৰৰ ভিতৰত এইখিনি মুদ্ৰা মই আপোনাক নিশ্চয় সুতে-মূলে ঘূৰাই দিম। আগতে সঁচাসঁচিকৈ মোৰ জীৱনত কোনো বিচিত্ৰ ঘটনা ঘটা নাছিল, এতিয়া—এয়ে হ'ল মোৰ জীৱনৰ বিচিত্ৰ ঘটনা।





ঈমানদাৰী

বহু কালৰ আগৰ কথা। তুৰ্কিদেশত আবত্থল হমীদ নামৰ এজন বেপাৰী আছিল। হমীদৰ আছিল এটা শ্ৰেষ্ঠ জাতৰ আৰবী ঘোঁৰা। যাক বোলে পংখীৰাজ ঘোঁৰা—বায়ুবেগী।

কিন্তু হমীদৰ এতিয়া তিনিকাল গৈ একালত লাগিল। এতিয়া ঘোঁৰাৰ পিঠিত উঠাটোও টান। গতিকে—এই পংখীৰাজ ঘোঁৰাটো হমীদে বেচিব, কিন্তু কিনোতাহে নোলায়। হমীদে ঘোঁৰাটোৰ দাম বিচাৰিছে তিনিশ দিনাৰ (দিনাৰ হ'ল আৰবদেশৰ মুদ্ৰা)। ঘোঁৰাটো কিনোতা আহিল কত কত গ'ল—কিন্তু তিনিশ দিনাৰ দিওঁতা এজনো নোলাল।

এনেতে এদিন অজীজ নামৰ যুৱক এজন হমীদৰ কাষ চাপিল। যুৱকে বৃদ্ধ হমীদক কুৰ্নিছ কৰি (সম্মানজ্ঞাপক দীঘলীয়া ছালাম) ক'লে, 'হজৰত, মই খানদানী (অভিজাত) পৰিয়ালৰ ল'ৰা, কিন্তু বৰ্তমান অৱস্থা পানীত হাঁহ নচৰা। তথাপি মই মোৰ উদ্দেশ্যৰ কথা কওঁ। আপোনাৰ এই ঘোঁৰাটো বিচাৰি মই আহিছোঁ। কিন্তু ইয়াৰ কোনো দাম এতিয়া মই দিব নোৱাৰিম। আপুনি যদি ঘোঁৰাটো মোক দিয়ে—অহা এবছৰত মই যিমান যি আৰ্জিম, মই কথা দিছোঁ, আপোনাকেই দিম। আজিৰপৰা এবছৰৰ অন্তত মই পুনৰ আপোনাৰ কাষ চাপিম।"

কি হ'ল কোনে ক'ব—যুৱক অজীজৰ এনে অভিনৱ ধৰণৰ প্ৰস্তাৱত হমীদ ৰাজী হৈ গ'ল। হমীদে ক'লে, অজীজক "তোমাৰ চৰ্ত মঞ্জুৰ, ঘোঁৰাটো লৈ যোৱা।"

'তুৰ্কীদেশৰ লোক-কথা'



অজীজে বৃদ্ধ হমীদক আকৌ দীঘলীয়া কুৰ্নিছ কৰিলে, আৰু তাৰ পাছত জঁপ মাৰি ঘোঁৰাটোৰ পিঠিত বহি বায়ুবেগেৰে ঘোঁৰাটো চলাই দিলে।

দুই দিন দুই নিশা একেৰাহে গৈ গৈ অজীজে সুৰমা-সুন্দৰ নগৰ এখন পালেগৈ। তেতিয়াও অজীজৰ ঘোঁৰাটো বতাহৰ লগতে চেঁকুৰি গৈ আছিল। নগৰৰ বাটৰুৱাহঁতে এনে আচৰিত ঘোঁৰা আগে কদাপি দেখা নাছিল। বাটৰুৱাহঁতে তভক খাই ৰৈ দিলে। অনকি—স্বয়ং বাদশ্বাহো বিস্মিত হ'ল এই বায়ুবেগী পংখীৰাজ ঘোঁৰাটো দেখি। তেওঁ ভাবিলে: আঃ! এই ঘোঁৰাটো মোৰ হোৱাহেঁতেন!

বাদশ্বাহে তেতিয়াই তেওঁৰ উজীৰক তলব কৰিলে আৰু যেনেতেনে অজীজৰ 'হাওৰা-ঘোঁৰা'টো কিনিবলৈ ক'লে।

শুনি অজীজ কিছু দমি গ'ল। তাৰ পাছত ভাবিলে: বাদশ্বাহৰ নজৰ পৰিছেই যেতিয়া ঘোঁৰাটোৰ ওপৰত, কিনিবই। 'নেবেচোঁ' বুলি ক'লেও লৈ যাব।

গতিকে অজীজে উজীৰৰ সৈতে বাদশ্বাহৰ ওচৰলৈ গৈ বাদশ্বাহক ক'লে, "হুজুৰ, এনে আচৰিত ঘোঁৰাটোৰ বাবদে যিকোনো দামেই কম দাম। তথাপি—আপুনি মাত্ৰ নশ দিনাৰ দি ঘোঁৰাটো লৈ লওক।"

কিন্তু—যদিও ঘোঁৰাটো সাধাৰণ নহয় দামৰ কথাত বাদশ্বাহ কিঞ্চিত বিৰক্ত হ'ল। তেওঁ ভাবিলে: ই এটা ঘোঁৰা বেচিয়েই নখৰ মূৰত তেল দি খাব খুজিছে। মুখেৰে আজীজক ক'লে, "তুমি দাম বৰ বেছিকৈ খুজিছা। মোক ভাবিবলৈ দিয়া। কালিলৈ আগবেলাতে ঘোঁৰাটোৰে সৈতে আহিবা, দৰে-ভাওৱে মিলিলে হৈ যাব।"

অজীজ গুচি যোৱাৰ পাছত বাদশ্বাহে তেওঁৰ উজীৰহঁতক (মন্ত্ৰিহঁতক) মতাই অনালে আৰু অজীজৰ ঘোঁৰাটো কেনেকৈ সস্তাৰো সস্তাত কিনিব পাৰি তাৰ উপায়

যেনেতেনে উলিয়াবলৈ ক'লে।

উজীৰহঁতে নিজৰ নিজৰ মতে নানান দিলে কিন্তু এইবোৰ উপায়ৰ এটাও বাদশ্বাহৰ পছন নহ'ল। তেতিয়া উজীৰে (মহামন্ত্ৰী) ক'লে, "এই কথাত আপুনি চিন্তিত হ'বলগীয়া একো নাই। অজীজ যেতিয়া কালিলৈ তাৰ ঘোঁৰাটোৰে সৈতে ইয়ালৈ আহিব, আপুনি তেতিয়া শ্বাহজাদীকো (ৰাজকুঁৱৰী) ইয়ালৈ লৈ আহিব। শ্বাহজাদীয়ে অজীজক যি ক'ব অজীজে তাকেই কৰিব চাব। আৰু অজীজ যদি এটা আঁকোগজা হয়ওবা—তাৰেনো কি মুছিবতি—কি অসুবিধা? আমাৰ মুঠিৰপৰা সৰকি সি যাবনো কেনি?"

অতঃপৰ খাছ উজীৰৰ খাৰাংখাছ উপায় বাদশ্বাহৰ পছন হ'ল।

পাছদিন বাদশ্বাহে তেওঁৰ খাছ লিগিৰাক ক'লে অজীজক যেনেকৈয়েই নহওক উদ্যানলৈ লৈ যাবলৈ।

শ্বাহজাদীয়ে কি কৰিব লাগিব সকলো কথা বুজাই কৈ, সন্তাত ঘোঁৰা কিনাৰ ফন্দী-ফুন্দাৰ কথা ভাঙি-পাতি কৈ, বাদশ্বাহে শ্বাহজাদীক (ৰাজকুঁৱৰীক) ফুলনিলৈ যাবলৈ ক'লে।

পাছদিনা অজীজ যেতিয়া ঘোঁৰাত উঠি ফুলনিলৈ আহিল, তেতিয়া তাত শ্বাহজাদী অকলেই বহি আছিল।

অজীজে অকল্পনীয় ৰূপৱতী শ্বাহজাদীক



দেখি আত্মবিস্মৃত হ'ল আৰু শ্বাহজাদীও অজীজক দেখি আপোনপাহৰা হ'ল।

শ্বাহজাদীয়ে অজজীক ক'লেগৈ, "হে যুৱক, তুমি যদি এই অশ্বটো অতি সস্তা দামত বাদশ্বাহক নেবেচা. তোমাক এওঁলোকে কাটি দোজোখ (নৰক) পোৰাব। গতিকে—:মোৰ কথা শুনা, মই যি কৰিবলৈ ক'ম — তাকে কৰা। আব্বাজান অহাৰ পাছত তেওঁ ক'বা যে পিয়াহত তোমাৰ অণ্ঠকণ্ঠ শুকাই গৈছে, খোৰাপানী লৈ আহিবলৈ মই অন্তেষপুৰলৈ যাম আৰু মই হাজাৰ হাজাৰ দিনাৰ ভিতৰত চিলাই কৰি থোৱা চৌগা এটা পিন্ধি পানী লৈ আহি তোমাক দিবলৈ ধৰোঁতেই তুমি মোক ঘোঁৰাৰ পিঠিত উঠাই ল'লেই তোমাৰ সৈতে মই পলাম।"

তেতিয়াই বাদশ্বাহ তালৈ আহিল, শ্বাহজাদীয়ে শিকাই দিয়া মতে অজীজে বাদশ্বাহক ক'লে, শ্বাহজাদীয়ে খোৰাপানী আনিলেগৈ. আৰু পানী দিওঁতে শ্বাহজাদীৰ হাতত ধৰি ঘোঁৰাটোৰ .পিঠিত উঠাই অজীজ আৰু শ্বাহজাদী চকুৰ পচাৰতে ঘোঁৰাটোক চেঁকুৰি দিলে।

পাছত, এবছৰৰ অন্তত অজীজে শ্বাহজাদীক এই ঘোঁৰাটোৰ প্ৰকৃত গৰাকী বৃদ্ধ হমীদৰ সৈতে হোৱা কথাখিনি ক'লে। শুনি শ্বাহজাদীয়ে ক'লে যে হমীদক এহেজাৰ দিনাৰ দিলেই হৈ যাব।

কিন্তু হমীদৰ ওচৰলৈ গৈ অজীজে হমীদক ক'লে, "আপোনাৰ এই ঘোঁৰাটোৰ সহায়ত মই শ্বাহজাদীক আৰু একলাখ দিনাৰ পাইছোঁ, আপুনি লওক।"

হমীদে অজীজৰ ইমানদাৰীৰ শলাগ ল'লে, আৰু ক'লে, "বোপা মোৰ তিনিকাল গৈ একালত লাগিল। মই দোৱা (আশীৰ্বাদ) কৰিছোঁ, তোমালোক সুখে-সন্তোষে থাকা।" এই বুলি কৈ বৃদ্ধ হমীদে দুয়োকো আশীৰ্বাদ কৰিলে।

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

কণমানিৰ সাহস !

একেবাৰে কণমানি চৰাই—নাম হ'ল 'জেন্‌নি ৰে'ন্', যিবোৰক 'স্মাট্‌টি' আৰু 'জগ্‌গি' বুলিও কোৱা হয়। এই কণমানি চৰাইৰ ল্যাটিন ভাষাত নাম হ'ল—ট্ৰোগ্‌লো ডাইটেছ ট্ৰোগ্‌লো ডাইটেছ। ই কণমানি হ'লে কি হ'ব—ই ডাঙৰ ডাঙৰ চৰাইৰ সৈতেও বীৰতাৰে যুঁজ দিয়ে তথা ঘূৰাই আক্ৰমণ কৰে। মতা জেন্‌নিয়ে অতি দক্ষতাৰে একেলগে কেইবাটাও বাহ সাজিব পাৰে। মাইকী জেন্‌নিয়ে সেই বাহবোৰৰ মাজত যিকোনো এটাত কণী পাৰেগৈ।



কীট-পতংগৰ শক্তি কিমান !

সাধাৰণ মাখি এটাই তাৰ নিজৰ দৈৰ্ঘ্যৰ কেইবাশ গুণ পলকতে জঁপিয়াই যাব পাৰে। ই পিছফাললৈকো সমান বেগেৰে জঁপিয়াব পাৰে।

সাধাৰণ পৰুৱাবোৰ ১৬ বছৰলৈকে জীয়াই থাকিব পাৰে। পৰুৱবোৰে সিহঁতৰ বাহত অন্যান্য পোক-পৰুৱাকো 'আলহী' হিচাপে ৰাখে আৰু নিজৰ দেহৰপৰা ওলোৱা মধুৰ ৰস খুৱায়। আলহীসকলক পৰ দিবলৈ পৰুৱাবোৰে পৰীয়া-পৰুৱাও নিযুক্ত কৰা হয়।

বগা পৰুৱাবোৰে বিৰাট ওখ বাহ সাজে। আনকি ১৫—২০ ফুট ওখ বাহো ইহঁতে সাজে, যিবোৰক মনুষ্যনিৰ্মিত মিচৰদেশৰ পিৰামিডৰ সৈতে তুলনা কৰিব পাৰি।

বাদুলিৰ নাম কালং !

বাদুলিয়েই হ'ল চৰাই প্ৰজাতিৰ একমাত্ৰ স্তন্যপায়ী জীৱ। ইন্দোনেজিয়া আৰু মালয়েছিয়াত বিৰাট আকাৰৰ কালং নামৰ বাদুলি পৰিদৃষ্ট হয়। এইবিধ বাদুলিৰ ৬ ফুটীয়া ডেউকা থাকে।



Don't you owe the
See my tail
It's out of a
Fairy Tale
Nice 'n' funny
I'm a Bunny
Foxy is my name
But I'm oh-so tame
Your Bear Hugs
are warmer
than mine

little one a cuddles?
I can't chase no mice But I'm soft 'n' nice
Give the Li'l Panda a Handa
No carrots to eat But I'm a treat
bug me tight
I'll give you
ride
The CHANDAMAMA Collection of Soft Toys
CHANDAMAMA TOYTRONIX

ফটো-নামকৰন প্ৰতিযোগিতা ঃ ঃ পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯ চনৰ জ্যানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব ।



M. Natarajan

M. Natarajan

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব । ১৯৯২ চনৰ বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব । উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব ।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব ।
* ফটো-নামকৰণ কেৱল পোষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯২ চনৰ ছেপটেমবাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : আশাৰ জলক দ্বিতীয় ফটো : ৰঙৰ খলক

মানৱজ্যোতি শইকীয়া, অষ্টম শ্ৰেণী,

মডেল হাইস্কুল, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ৰজাভেটা-৭৮৬০০৪

ভাৰতত বছৰেকীয়া বৰঙণি চান্দমামা ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৰা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
FREE!
BUNNY TEETH
INSIDE EVERY 100 GMS
POUCH OF COOKIES
nutrine
COOKIES
লৰা-ছোৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/9090/Ass